
# অন্বেষণ

নৱম বছৰ ■ অষ্টম সংখ্যা ■ ছেপ্টেম্বৰ, ২০২২



## ৰংঘৰ, কাৰেংঘৰৰ নিৰ্মাণশৈলী

## কেইগৰাকীমান প্ৰখ্যাত ভাৰতীয় শিক্ষক

## জেমছ্ ৱেব টেলিস্ক’প




সাবিত্ৰী বাই ফুলে


আলোক সাগৰ


কেশৱ সৰকাৰ


ইমৰাণ খান


ষ্টুডিঅ' ঘিব্‌লি

# অন্বেষণ

**নৱম বছৰ, অষ্টম সংখ্যা, ছেপ্টেম্বৰ ২০২২ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **জেমছ ৱেব স্পেচ টেলিস্ক’প**
■ মহানন্দ শৰ্মা
৪ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী
৬ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী
৭ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**
১৩ **ভাৰতৰ প্ৰথম কোম্পানীটো**
■ ঋণিমা শৰ্মা
১৪ **পুতলাৰ হাস্পতাল**
■ জিতা গগৈ
১৫ **প্লেগ মহামাৰী**
■ নৱনীতা কলিতা
১৭ **বৰষুণৰ গীত**
■ সাক্ষী প্ৰিয়ম্বদা
১৮ **সৌন্দৰ্য্য**
■ দ্বীপশিখা বসুমতাৰী
১৮ **মা**
■ ময়ূৰ ডেকা
১৮ **চম্পাৰ হাঁহিটি**
■ কৃষাণি কলিতা
১৯ **ষ্টুডিঅ’ ঘিব্‌লি**
■ তন্ময়ী বৰুৱা
২০ **বন্ধুত্বৰ পৰিচয়**
■ ৰিয়া কলিতা
২১ **নেপালৰ পশুপতিনাথ মন্দিৰ**
■ দেবাংগ কলিতা
২২ **চুড’কু**
২৩ **Did You Know**
■ Binoy B Gogoi
২৪ **The Merchant of Venice**
■ Priom Saikia
২৫ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন
২৭ **চিলিকা হ্ৰদ**
■ জুলি শইকীয়া
২৮ **ভূ-পদাৰ্থবিজ্ঞান পাঠ্যক্ৰমৰ সবিশেষ**
■ জোনালী দেৱী
২৯ **কথাসৰিৎসাগৰ**
■ ভাস্কৰজ্যোতি হালৈ
৩০ **কুইজ**
■ হিৰণ্য কলিতা
৩১ **ইজিপ্তীয় সভ্যতা**
■ ধৃতিপৰ্ণা নাথ
৩৩ **অ’ টি টি মঞ্চ**
■ ঋণুমী কলিতা
৩৪ **ৰংঘৰ, কাৰেংঘৰৰ নিৰ্মাণশৈলী**
■ হিমাদ্ৰী বৰা
৩৬ **কেইগৰাকীমান প্ৰখ্যাত ভাৰতীয় শিক্ষক**
■ অভিজিত শৰ্মা বৰুৱা
৩৮ **সুৰক্ষাৰ XYZ**
■ নিবেদিতা তালুকদাৰ
৪০ **টাইম বেংক**
■ অপৰ্ণা দেৱী


**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : পূৰবী ৰাণী বৰা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# জেমছ্ ৱেব স্পেচ টেলিস্ক’প

**■ মহানন্দ শৰ্মা**



আমি ওপৰলৈ চালে আমাৰ চকুৰে ঢুকি পোৱাকৈ কোটি কোটি গুণ দূৰত কি আছে? কিছুদিন আগলৈকে ইমান দূৰৰ কথা ভাবিবলৈকে অসম্ভৱ আছিল। পিছে লাহে লাহে এই কথা এতিয়া আমি সুন্দৰকৈ বুজি পাবলৈ লৈছোঁ। আমাৰ পৰা কোটি কোটি আলোকবৰ্ষ (পোহৰৰ গতিবেগ ছেকেণ্ডত প্ৰায় তিনি লাখ কিল’মিটাৰ, তেনেকৈ এটা বছৰত পোহৰে অতিক্ৰম কৰা দূৰত্বই এক আলোকবৰ্ষ) আঁতৰত আছে সুবিশাল মহাজগত। আমি নজনা বহু কথাৰ সম্ভেদ দিছে মাৰ্কিন মহাকাশ গৱেষণা সংস্থা ‘নাছা’ৰ এখন মহাকাশযান অৰ্থাৎ জেমছ ৱেব টেলিস্ক’পে। ‘নাছা’ৰ জেমছ ৱেব টেলিস্ক’পে যিবোৰ আলোকচিত্ৰ পৃথিৱীলৈ প্ৰেৰণ কৰি আছে সেইবোৰ মহানাদ (Big bang) পৰিঘটনাৰ প্ৰায় প্ৰাৰম্ভিক সময়ৰ ছবি। প্ৰতি মুহূৰ্তত সম্প্ৰসাৰিত হৈ থকা এই মহাব্ৰহ্মাণ্ড সৃষ্টিৰ আঁৰৰ ৰহস্য এই দূৰবীণে মুকলি কৰিব বুলি আশাবাদী বিশ্বৰ বিজ্ঞানী মহল।

সম্প্ৰতি মহাকাশত ওপঙি আছে বিশ্বৰ সবাতোকৈ ডাঙৰ আৰু আটাইতকৈ ব্যয়বহুল মহাকাশ দূৰবীণ ‘জেমছ ৱেব মহাকাশ দূৰবীণ’ (James Webb Space Telescope, চমুকৈ JWST)। ২০২১ চনৰ ২৫ ডিচেম্বৰত ফ্ৰেন্স গিয়েনাৰ কুৰুৰ পৰা ইয়াক মহাকাশলৈ উৎক্ষেপণ কৰা হয়। এই দূৰবীণটোক মহাকাশলৈ কঢ়িয়াই নিয়ে ইউৰোপিয়ান স্পেচ এজেঞ্চিৰ এৰিয়েন-৫ ৰকেটে। ইউৰ’পিয়ান স্পেচ এজেঞ্চি (ESA) আৰু কানাডিয়ান স্পেচ এজেঞ্চীৰ (CSA) সহযোগত আমেৰিকাৰ নেছনেল এৰ’নটিকছ এণ্ড স্পেচ এডমিনিষ্ট্ৰেছনৰ (NASA) দ্বাৰা এই মহাকাশ দূৰবীণটো প্ৰেৰণ কৰা হয়। ১৯৬১ চনৰ পৰা ১৯৬৮ চনলৈ ‘নাছা’ৰ প্ৰশাসক হিচাপে দায়িত্বত থকা জেমছ এডুইন ৱেবৰ নামেৰে এই দূৰবীণটোৰ নাম ৰখা হৈছে।

হাবল মহাকাশ দূৰবীণৰ উত্তৰসূৰী হিচাপে জেমছ ৱেব মহাকাশ দূৰবীণক মহাকাশলৈ প্ৰেৰণ কৰা হৈছে। মহাব্ৰহ্মাণ্ডৰ চৌদিশে সিঁচৰতি হৈ থকা জ্যোতিপদাৰ্থৰ সন্ধান কৰাৰ উদ্দেশ্যে এই মহাশক্তিশালী দূৰবীণটোক মহাকাশলৈ প্ৰেৰণ কৰা হয়। অহা ২০ বছৰ পৰ্য্যন্ত ই কাৰ্য্যক্ষম হৈ থাকিব বুলি আশা কৰা হৈছে। এই দূৰবীণটো মূলতঃ এখন মহাকাশযান। ২০২২ বৰ্ষৰ জুন মাহৰ পৰা এই দূৰবীণটোৱে অভিযান আৰম্ভ কৰাৰ বাবে ‘নাছা’ই প্ৰণালীবদ্ধ আঁচনি গ্ৰহণ কৰিছিল। দূৰবীণটোত সংযোজিত কৰা হৈছে FGS-NIRISS (Fine Guidence Sensor and Near Infrared Imager and Slitless Spectrograph), MIRI (Mid-Infra-red Instrument), NIRCam (Near-Infrared Camera), NIRSpec (Near-Infrared Specteograph) আদি কেইটামান সঁজুলি।

আশা কৰা হৈছে যে এই দূৰবীণটোৱে বহু পুৰণি আৰু দূৰ অতীতৰ তৰাৰ জন্মকথাও সন্ধান কৰিব পাৰিব। প্ৰথম তাৰকাৰাজ্যৰ গঠন আৰু কোন তাৰকাৰাজ্যত জীৱৰ উপযোগী গ্ৰহ আছে তাৰো সন্ধান উলিয়াবলৈ সক্ষম হ’ব এই মহাকাশ দূৰবীণে। শক্তিশালী হাবল মহাকাশ দূৰবীণৰ কেমেৰাই ঢুকি নোপোৱা

জ্যোতিপদাৰ্থক অনায়াসে বিচাৰি উলিয়াব পাৰিব জেমছ ৱেব দূৰবীণে। হাবলৰ ২.৪ মিটাৰ ব্যাসৰ 'মিৰৰ'ৰ তুলনাত জেমছ ৱেব দূৰবীণৰ প্ৰধান 'মিৰৰ'খনৰ ব্যাস ৬.৫ মিটাৰ। এই 'মিৰৰ' (Optical Telescope Element) মুঠ ১৮খন ষড়ভুজাকাৰ 'মিৰৰ'ৰ দ্বাৰা নিৰ্মিত। এই দূৰবীক্ষণক বিয়োগ (-) ২২৩ ডিগ্ৰী চেলছিয়াছৰ তলত ৰখা দৰকাৰ। সেইবাবে এই দূৰবীণত সূৰ্য্য, পৃথিৱী আৰু চন্দ্ৰৰ পৰা উত্তাপ প্ৰতিৰোধ কৰিবলৈ এখন পাঁচ তৰপীয়া চিলা আকৃতিৰ 'ছানশ্বিল্ড' সংযুক্ত কৰা হৈছে।

## কি পালে জেমছ ৱেব টেলিস্ক'পে?

১২ জুলাইত প্ৰথমবাৰৰ বাবে নাছাই জেমছ ৱেব টেলিস্ক'পৰ অধ্যয়ন আৰু আলোকচিত্ৰৰ সবিশেষ ৰাজহুৱা কৰে। নাছাৰ তথ্য মতে প্ৰথমবাৰৰ বাবে জেমছ ৱেব টেলিস্ক'পে কেইবাটাও মহাজাগতিক ঘটনা-পৰিঘটনাৰ সম্পূৰ্ণ ৰঙীন ছবি সংগ্ৰহ কৰিছে। টেলিস্ক'পটোৱে কেৰিনা নীহাৰিকাৰ (NGC 3324) ৰঙীন ছবি পৃথিৱীলৈ প্ৰেৰণ কৰিছে। এই নীহাৰিকাটো আছে পৃথিৱীৰ পৰা ৮৫০০ আলোকবৰ্ষ আঁতৰত। এই নীহাৰিকাত নতুন নতুন তৰাৰ গঠন প্ৰক্ৰিয়া চলি আছে। টেলিস্ক'পটোৱে ফিনিক্স তাৰকামণ্ডলত পৃথিৱীৰ পৰা ১,১২০ আলোকবৰ্ষ আঁতৰত থকা এটা বিশাল আকাৰৰ গেছীয় গ্ৰহ WASP-96b1ৰ অধ্যয়ন চলাই আলোকচিত্ৰ প্ৰেৰণ কৰিছে। আমাৰ পৰা ২,৫০০ আলোকবৰ্ষ আঁতৰৰ ছাউদাৰ্ন ৰিং নীহাৰিকাত (Southern Ring Nebula) এটা মৃত্যুমুখী তৰাৰ গেছ আৰু ধূলি নিৰ্গত হোৱা আলোকচিত্ৰ প্ৰেৰণ কৰিছে জেমছ ৱেব টেলিস্ক'পে। পৃথিৱীৰ পৰা ২৯ কোটি আলোকবৰ্ষ আঁতৰৰ তাৰকাৰাজ্যৰ সমষ্টি ষ্টিফেন্স কুইনটেটত (Stephan's Quintet) নতুন নতুন তৰাৰ জন্ম প্ৰক্ৰিয়া চলি থকাৰ সম্ভেদ দিয়ে জেমছ ৱেব টেলিস্ক'পে। জেমছ ৱেব টেলিস্ক'পৰ প্ৰথম গভীৰ মহাকাশ অধ্যয়নৰ কেন্দ্ৰবিন্দু আছিল SMAC 7327 (Southern Massive Cluster Survey J0723.3-7327)। পৃথিৱীৰ পৰা ৪০০ কোটি আলোকবৰ্ষ আঁতৰত আছে ১,৩০০ কোটি বছৰ পুৰণি এই তাৰকাৰাজ্যৰ সমষ্টি। জেমছ ৱেব টেলিস্ক'পৰ কেমেৰাত বন্দী হোৱা কাৰ্টহুইল গেলেক্সি (Cartwheel Galaxy) এতিয়া সবাতোকৈ চৰ্চিত বিষয়। ২ আগষ্টত প্ৰকাশ কৰা হৈছে ৫০ কোটি আলোকবৰ্ষ দূৰত্বৰ কাৰ্টহুইল তাৰকাৰাজ্যৰ দৃষ্টিনন্দন ছবি। এতিয়ালৈকে ইয়াকে সবাতোকৈ দূৰৰ তাৰকাৰাজ্য হিচাপে নিশ্চিত কৰা হৈছে। অৱশ্যে জেমছ ৱেব টেলিস্ক'পে ইয়াতকৈও আঁতৰত কিছুসংখ্যক ৰেডশ্বিফ্ট (redshift) ধৰা পেলাবলৈ সক্ষম হৈছে। এইবোৰো হয়তো তাৰকাৰাজ্য হ'ব পাৰে। ৰেডশ্বিফ্টবোৰৰ ৰং যিমানেই গভীৰ ৰঙা হয় সিমানেই এইবোৰ আমাৰ পৰা আৰু বহু কোটি আলোকবৰ্ষ আঁতৰত অৱস্থিত আৰু বিগ বেং পৰিঘটনাৰ একেবাৰে নিকট সময়ৰ (40-30 কোটি বছৰ) বুলি বিজ্ঞানীসকলে ধাৰণা কৰিছে। এটা কথা জানি থোৱা ভাল যে আমি আজি জেমছ ৱেব টেলিস্ক'পৰ জৰিয়তে যিমান ছবি দেখিবলৈ পাইছোঁ সেয়া অতীতৰ অৱস্থাহে দেখিছোঁ। সেই পদাৰ্থপিণ্ডৰ পৰা অহা পোহৰে ছেকেণ্ডত প্ৰায় তিনি লাখ কিল'মিটাৰ বেগত আহি আমাৰ চকুত ধৰা দিয়ালৈকে কোটি কোটি বছৰ অতিক্ৰম কৰিছে। আজিৰ অৱস্থাত সেই তাৰকাৰাজ্যৰ ৰূপো বহু সলনি হৈ পৰিছে আৰু মহাব্ৰহ্মাণ্ডৰ বিশালতাত অহৰ্নিশে সম্প্ৰসাৰিত হৈ আছে।

**টোকা :** ৰেডশ্বিফ্ট (redshift) :

ৰেডশ্বিফ্ট পোহৰৰ এক পৰিঘটনা। দূৰৈত থকা মহাকাশীয় পদাৰ্থৰ পৰা পোহৰ গতি কৰিলে, তাৰ পোহৰৰ ৰশ্মিৰ তৰংগদৈৰ্ঘ্য বৃদ্ধি পায়। অৰ্থাৎ ৰঙাৰ ওচৰ চাপে। পদাৰ্থবিধ যিমানেই দূৰৈত থাকে পোহৰো ৰঙাৰ ফালে সিমানে ঢাল খায়। ইয়াক ৰেডশ্বিফ্ট বুলি কোৱা হয়। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (আগষ্ট)

১। ছাহিল দে। ২। ১৬ তম। ৩। এন্ট'ম'ল'জী (Entomology)। ৪। 28m × 15m। ৫। Defence Research and Development Laboratory.

## দেশৰ নতুন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়

যোৱা ৬ আগষ্ট তাৰিখে অনুষ্ঠিত ভাৰতৰ উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনত পশ্চিমবংগৰ প্ৰাক্তন ৰাজ্যপাল জগদীপ ধনখড় নিৰ্বাচিত হয়। এন ডি এ সমৰ্থিত প্ৰাৰ্থী ধনখড়ে ৫২৮টা ভোট (৭০ শতাংশ) লাভ কৰি ভাৰতৰ ১৪ সংখ্যক উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। তেওঁৰ প্ৰতিদ্বন্দ্বী কংগ্ৰেছ নেতৃত্বৰ বিৰোধী জোঁটৰ প্ৰাৰ্থী মাৰ্গাৰেট আলভাই ১৮২টা ভোট লাভ কৰি পৰাজয় বৰণ কৰে। উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ কাৰ্য্যকাল ১০ আগষ্ট তাৰিখে অন্ত পৰে আৰু নৱ-নিৰ্বাচিত উপ-ৰাষ্ট্ৰপতি ধনখড়ে ১১ আগষ্টত দায়িত্বভাৰ গ্ৰহণ কৰে।

## উচ্চতম ন্যায়ালয়ৰ নতুন মুখ্য ন্যায়াধীশ উদয় উমেশ ললিত



উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ ন্যায়াধীশ উদয় উমেশ ললিতক যোৱা ১০ আগষ্ট তাৰিখে ভাৰতৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ (চি জে আই) হিচাপে নিযুক্তি দিয়া হয়। মুখ্য ন্যায়াধীশ এন ভি ৰমানাৰ কাৰ্য্যকাল ২৬ আগষ্টত অন্ত পৰে আৰু নৱনিযুক্ত মুখ্য ন্যায়াধীশ ললিতে ২৭ আগষ্টত কাৰ্য্যভাৰ গ্ৰহণ কৰে। উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তাৰূপে নিযুক্তি লাভ কৰা ললিত হৈছে ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ৰ ৪৯ সংখ্যক মুখ্য ন্যায়াধীশ।

## সাহিত্যিক যতীন গোস্বামীৰ দেহাৱসান

বিশিষ্ট সাহিত্যিক, স্বাধীনতা সংগ্ৰামী, লিপিবিদ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি যতীন গোস্বামীৰ যোৱা ৩ আগষ্ট তাৰিখে ৯৭ বছৰ বয়সত দেহাৱসান ঘটে। ১৯25 চনত বজালী জিলাৰ পাটাছাৰকুছিত জন্মগ্ৰহণ কৰা যতীন গোস্বামীয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰি কেইবাবাৰো কাৰাবাস খাটিবলগীয়া হৈছিল। মুক্তিযুঁজাৰু গোস্বামীয়ে ভাৰত ত্যাগ আন্দোলন, তেল শোধনাগাৰ তথা শৰাইঘাট দলং নিৰ্মাণৰ দাবীত হোৱা আন্দোলনত সক্ৰিয় কৰ্মী হিচাপে নেতৃত্ব প্ৰদান কৰিছিল। অক্লান্ত সংগ্ৰামী ৰূপে পৰিচিত গোস্বামীয়ে ১৯৭৯ চনত চৰকাৰী চাকৰিৰ পৰা পদত্যাগ কৰি বিদেশী বহিষ্কাৰ আন্দোলনত (অসম আন্দোলন) যোগদান কৰিছিল। জয়প্ৰকাশ নাৰায়ণ আদি নেতাৰ সান্নিধ্য লাভ কৰা গোস্বামীয়ে ১৯৪৮ চনত ছ'চিয়েলিষ্ট পাৰ্টিত যোগদান কৰি অসমৰ লগতে দেশৰ সমাজ সংস্কাৰমূলক কামত আত্মনিয়োগ কৰিছিল। গোস্বামীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে—'ঢৌ যেতিয়া আহে', 'মাটিৰ বুকুত', 'অটব্য জঁটায়ু', 'দীঘনাসা নগৰীয়া', 'কাঞ্চনমতী বান্দৰ', 'বগমতী দেখিছো', 'পৃথিৱী আৰু মানুহ', 'শকুন্তলা', 'শেষ বিচাৰ', 'অসমীয়া লিপিৰ ইতিহাস' ইত্যাদি। কেইবাখনো আলোচনী আৰু বাতৰিকাকতৰ সম্পাদক ৰূপে সেৱা আগ বঢ়োৱা গোস্বামীয়ে 'বুঢ়া আৰু সাগৰ', 'বিচাৰ', 'হৰ্ষ চৰিত', 'মোপাচাৰ গল্প' আদিৰ দৰে অনুবাদ গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। অসমীয়া ভাষা-সাহিত্যলৈ অনৱদ্য অৱদান আগ বঢ়োৱা প্ৰয়াত গোস্বামীয়ে অসম সাহিত্য সভাৰ দুটা কাৰ্য্যকালৰ বাবে উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল।

## ৰাজ্যৰ নতুন মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ



যোৱা ১১ আগষ্টত জ্যেষ্ঠ আই এ এছ বিষয়া পৱন কুমাৰ বৰঠাকুৰক অসমৰ পৰৱৰ্তী মুখ্য সচিব হিচাপে নিযুক্তি দিয়া হয়। মুখ্য সচিব জিষ্ণু বৰুৱাই ৩১ আগষ্টত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা বাবে পৱন কুমাৰ বৰঠাকুৰক ৰাজ্যখনৰ মুখ্য সচিব হিচাপে নিযুক্তি দিয়া হয়। কলিয়াবৰৰ শিলঘাটৰ কামাখ্যা গাঁৱত জন্মগ্ৰহণ কৰা বৰঠাকুৰে সুখ্যাতিৰে শিক্ষা জীৱন সামৰি ১৯৮৯ চনত অসম-মেঘালয় কেডাৰৰ আই এ এছ বিষয়া হিচাপে চাকৰিত যোগদান কৰে। সাহিত্য কৰ্মৰ প্ৰতি ৰাপ থকা বৰঠাকুৰে চাৰিখন কবিতাপুথি প্ৰকাশ

কৰাৰ লগতে ভালেসংখ্যক গীতো ৰচনা কৰিছে। ২০২৩ চনৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰিবলগীয়া বৰঠাকুৰ হৈছে অসমৰ ৫০ সংখ্যক মুখ্য সচিব।

## কমনৱেলথ গেমছৰ সফল সামৰণি

যোৱা ২৮ জুলাইৰ পৰা ৮ আগষ্ট তাৰিখলৈ ইংলণ্ডৰ বাৰ্মিংহামত অনুষ্ঠিত ২২ সংখ্যক কমনৱেলথ গেমছৰ সফলতাৰে সামৰণি পৰে। ২৮ জুলাইত শুভাৰম্ভ হোৱা এই বৰ্ষৰ কমনৱেলথ গেমছত মুঠ ৭২ খন সদস্য ৰাষ্ট্ৰৰ ৫০৫৪ গৰাকী প্ৰতিযোগীয়ে ২০ প্ৰকাৰৰ খেলৰ ২৮০টা শিতানত অংশগ্ৰহণ কৰে। 'Sport is just the beginning' শ্লʼগানেৰে আৰম্ভ হোৱা এই বৰ্ষৰ কমনৱেলথ গেমছত ১৩ লাখ টিকট বিক্ৰী হৈ অভিলেখ সৃষ্টি কৰে। ১৯৩০ চনত আৰম্ভ হোৱা কমনৱেলথ গেমছৰ পৰৱৰ্তী প্ৰতিযোগিতা অষ্ট্ৰেলিয়াত অনুষ্ঠিত হʼব। পদক তালিকাৰ শীৰ্ষ পাঁচখন দেশৰ স্থিতি এনে ধৰণৰ :

| দেশ | সোণ | ৰূপ | ব্ৰঞ্জ | মুঠ |
|---|---|---|---|---|
| অষ্ট্ৰেলিয়া | ৬৭ | ৫৭ | ৫৪ | ১৭৮ |
| ইংলণ্ড | ৫৭ | ৬৬ | ৫৩ | ১৭৬ |
| কানাডা | ২৬ | ৩২ | ৩৪ | ৯২ |
| ভাৰত | ২২ | ১৬ | ২৩ | ৬১ |
| নিউজিলেণ্ড | ২০ | ১২ | ১৭ | ৪৮ |

এই বৰ্ষৰ কমনৱেলথ প্ৰতিযোগিতাত অসমৰ ৭ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰ ভিতৰত নয়নমণি শইকীয়াই লন বলত স্বৰ্ণপদক লাভ কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনে।

## সাহিত্য অকাডেমিৰ শিশু আৰু যুৱ বঁটা ঘোষণা

যোৱা ২৪ আগষ্ট তাৰিখে সাহিত্য অকাডেমিয়ে ২০২২ বৰ্ষৰ শিশু আৰু যুৱ সাহিত্য অকাডেমি বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। এই ঘোষণা অনুসৰি অসমীয়া ভাষাত 'চকী আৰু অন্যান্য গল্প' শীৰ্ষক গ্ৰন্থখনৰ বাবে প্ৰদ্যুম্ন কুমাৰ গগৈয়ে যুৱ সাহিত্য অকাডেমি বঁটা লাভ কৰে। উল্লেখযোগ্য যে 'চকী আৰু অন্যান্য গল্প' গ্ৰন্থখনৰ বাবে তেওঁ ২০২১ চনত মুনীন বৰকটকী সাহিত্য বঁটাও লাভ কৰিছিল। আনহাতে 'গাং ফু জানে মাছে দৌ' শীৰ্ষক গ্ৰন্থখনৰ বাবে বড়ো ভাষাত এই যুৱ বঁটা লাভ কৰিছে অলংবাৰ মুছাহাৰীয়ে। তদুপৰি ২০২২ বৰ্ষৰ অসমীয়া ভাষাত শিশু সাহিত্য অকাডেমি বঁটা লাভ কৰে সাংবাদিক, সাহিত্যিক দিগন্ত ওজাই। 'ডাঙৰ মানুহৰ সাধু' নামৰ গ্ৰন্থখনৰ বাবে তেওঁ এই বঁটা লাভ কৰিবলৈ সক্ষম হয়। 'লাংৰনানি বোখালি গথো' নামৰ গ্ৰন্থখনৰ বাবে বড়ো ভাষাত শিশু সাহিত্য বঁটা লাভ কৰিছে দেওবৰ ৰামচিয়াৰীয়ে।

## চানমবাম বিশ্ব জুডʼৰ প্ৰথম ভাৰতীয় চেম্পিয়ন




মণিপুৰৰ পোন্ধৰ বছৰীয়া লিনথই চানমবামে যোৱা ২৬ আগষ্টত বছনিয়াত অনুষ্ঠিত বিশ্ব কেডেট জুডʼ প্ৰতিযোগিতাত ৫৭ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হয়। বিশ্ব জুডʼ প্ৰতিযোগিতাৰ যিকোনো শাখাত ভাৰতে এতিয়ালৈ লাভ কৰা এইটোৱেই হৈছে প্ৰথম স্বৰ্ণ পদক। উল্লেখযোগ্য যে তেওঁ যোৱা মাহত বেংককত অনুষ্ঠিত এছিয়ান কেডেট জুনিয়ৰ চেম্পিয়নশ্বিপতো স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান তেওঁ কেন্দ্ৰীয় চৰকাৰৰ 'টাৰ্গেট অলিম্পিক পʼটেনচিয়েল' আঁচনিৰ অন্তৰ্ভুক্ত হৈ কৰ্ণাটকত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। ❖

■ কুশল গোস্বামী

# খবৰৰ লেছেৰি বোটলা

**(২১ জুলাই ২০২২ ৰ পৰা ২০ আগষ্ট ২০২২লৈ)**

২২ **জুলাই** : অশান্তিজৰ্জৰ শ্ৰীলংকাত দীনেশ গুণাৱাডেনাক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হয়।

২৩ **জুলাই** : 'বৰাক ভূৱন অভয়াৰণ্য' নামেৰে এখন নতুন অভয়াৰণ্য সৃষ্টিত ৰাজ্যপাল জগদীশ মুখীয়ে অনুমোদন জনায়।

২৪ **জুলাই** : নিৰজ চোপ্ৰাই ৱৰ্ল্ড চেম্পিয়নশ্বিপত জেভেলিন থ্ৰ'ত ৰূপৰ পদক অৰ্জন কৰি (প্ৰথম ভাৰতীয়) ইতিহাস ৰচনা কৰে।

২৭ **জুলাই** : ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই (ইছৰো) বিদেশী উপগ্ৰহ উৎক্ষেপণ কৰি ২৭৯ নিযুত মাৰ্কিন ডলাৰ উপাৰ্জন কৰা বুলি ঘোষণা কৰে।

২৯ **জুলাই** : বেংককত উত্তৰ-পূব ভাৰত মহোৎসৱ আৰম্ভ হয়।

৩০ **জুলাই** : জনপ্ৰিয় অভিনেতা সাধন হাজৰিকাৰ ৮২ বছৰ বয়সত মৃত্যু হয়।

- জিন্দাল গ্ৰুপৰ স্বত্বাধিকাৰী তথা তিনিচুকীয়াৰ জীয়াৰী সাৱিত্ৰী জিন্দাল ৮৯ হাজাৰ কোটি টকাৰ মালিকীস্বত্বৰে এছিয়া মহাদেশৰ আটাইতকৈ ধনী মহিলাৰূপে স্বীকৃত হয়।
- সুৰেশ এন পেটেলক কেন্দ্ৰীয় চৰকাৰে দেশৰ মুখ্য ভিজিলেন্স আয়ুক্ত (চিভিচি) হিচাপে নিযুক্তি দিয়ে।

৩১ **জুলাই** : জনপ্ৰিয় কণ্ঠশিল্পী নিৰ্মলা মিশ্ৰৰ ৮৪ বছৰ বয়সত মৃত্যু হয়।

২ **আগষ্ট** : মাৰ্কিন ড্ৰ'ন আক্ৰমণত অল কায়দাৰ মুৰব্বী আয়মান আল জৱাহিৰি নিহত হয়।

৩ **আগষ্ট** : ৰুছিয়া কম্বোজক ৰাষ্ট্ৰসংঘত ভাৰতৰ নতুন স্থায়ী প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়ে।

৪ **আগষ্ট** : অধ্যাপিকা ড° মন্দিৰা দাসে 'আচাৰ্য্য দীনেশ চন্দ্ৰ সেন ৰাষ্ট্ৰীয় স্বৰ্ণ পদক' লাভ কৰে।

৫ **আগষ্ট** : বিশিষ্ট ওডিছি নৃত্য পটিয়সী, সত্ৰীয়া শিল্পী তথা সংগীত-নাটক অকাডেমি বঁটাপ্ৰাপক গৰিমা হাজৰিকাৰ ৮৩ বছৰ বয়সত মৃত্যু হয়।

৭ **আগষ্ট** : 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই এটা ক্ষুদ্ৰতম বাণিজ্যিক ৰকেট উৎপেক্ষণ কৰে।

১০ **আগষ্ট** : নীতীশ কুমাৰে অষ্টমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

১১ **আগষ্ট** : কংগ্ৰেছ দলৰ সাংসদ শশী থাৰুৰে ফ্ৰান্সৰ সৰ্বোচ্চ অসামৰিক সন্মান ছেভেলিয়াৰ ডেলা লেডিঅ'ন ডি' অনাৰ' লাভ কৰে।

- খাদীৰ উপৰি ছিল্ক, ঊল, পলিয়েষ্টাৰ আদি কাপোৰৰ যন্ত্ৰ নিৰ্মিত ৰাষ্ট্ৰীয় পতাকাও ব্যৱহাৰ কৰিব পাৰি বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

১২ **আগষ্ট** : বিশ্ব দবা অলিম্পিয়াডত ভাৰতীয় দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে।

১৩ **আগষ্ট** : অহা শৈক্ষিক বৰ্ষৰ (২০২৩) পৰা অসমত অষ্টম শ্ৰেণীত বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক কৰিব বুলি অসম চৰকাৰে ঘোষণা কৰে।

১৬ **আগষ্ট** : ফিফাই ভাৰতীয় ফুটবল ফেডাৰেছনক নিলম্বন কৰে।

১৭ **আগষ্ট** : ২৩ গৰাকী জন্মান্ধ শিল্পক লৈ নিৰ্মিত শিৱসাগৰৰ ৰূপক ভূঞাৰ চুটি ছবি 'অন্য এক পৃথিৱী'য়ে বুদ্ধ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ শ্ৰেষ্ঠ চুটি ছবিৰ বঁটা লাভ কৰে।

১৮ **আগষ্ট** : ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া ভাৰত ভূষণ দেৱচৌধুৰীক ৰাজ্য চৰকাৰে অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে।

১৯ **আগষ্ট** : অসম চৰকাৰে মেডিকেল কলেজৰ অধ্যাপকৰ অৱসৰৰ বয়স ৬৫ বছৰৰ পৰিবৰ্তে ৭০ বছৰলৈ বৃদ্ধি কৰে।

২০ **আগষ্ট** : ২০ বছৰ অনূৰ্ধ্ব বিশ্ব মল্লযুঁজ (মহিলা) প্ৰতিযোগিতাত ভাৰত অন্তিম পাংহালে স্বৰ্ণ পদক লাভ কৰি প্ৰথমগৰাকী ভাৰতীয় (মহিলা) মল্লযোদ্ধা হোৱাৰ ইতিহাস ৰচনা কৰে। ❖


**■ সংগ্ৰহ : কুশল গোস্বামী**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা

### আদা বেপাৰীক জাহাজৰ খবৰ



আদা বেপাৰী এজনৰ বাবে জাহাজৰ খবৰ ৰখাৰ কোনো প্ৰয়োজন নাই। যিহেতু আদা বেপাৰৰ সৈতে জাহাজৰ কোনো সম্পৰ্ক নাই, গতিকে আদা বেপাৰী এজনে জাহাজৰ বাতৰি বিচাৰি ফুৰাটো সময় অপব্যয়ৰ বাহিৰে আন একো নহয়। অপ্ৰয়োজনীয় কথা-বতৰা যতদূৰ পাৰি পৰিহাৰ কৰাই শ্ৰেয়। কিন্তু কিছুমান মানুহে নিজৰ প্ৰয়োজনীয় কাম-কাজ বা কথা-বতৰাবোৰতকৈ অন্য লোকৰ খবৰ-বাতৰি সংগ্ৰহতহে বেছি মন দিয়ে। এনে কৰ্ম-কাণ্ডই সমাজৰ কোনো উপকাৰ নকৰে; নিজৰো কোনো লাভ নহয়। গতিকে নিজৰ বাবে অপ্ৰয়োজনীয় কথা-বতৰাত সময় খৰচ কৰাতকৈ প্ৰয়োজনীয় দিশবোৰতহে মনোনিৱেশ কৰাহে জৰুৰী।
**প্ৰায়োগিক বাক্য: হেৰৌ, মহাজনৰ ঘৰ-দুৱাৰৰ কথা আলচি ফুৰিবলৈ তোৰনো হৈছে কি ! আদা বেপাৰীক জাহাজৰ খবৰ কেলৈ? ❖**

### অভাৱত স্বভাৱ নষ্ট

অভাৱত পৰিলে মানুহে কেতিয়াবা নকৰিবলগীয়া কামো কৰিবলগীয়া হয়। সৎ পথত চলা আদৰ্শবাদী লোক এজনো নিজৰ অভাৱ পূৰণৰ অসমৰ্থতাত কেতিয়াবা বিবেক-বুদ্ধি হেৰুৱাই অসৎ পথত ভৰি দিবলগীয়া হয়। মানুহ যিহেতু পৰিস্থিতিৰ দাস, সেয়েহে অভাৱে বহু সময়ত মানুহৰ স্বভাৱ নষ্ট কৰে। গতিকে কোনো কাৰ্য্যৰ ভাল-বেয়া বিচাৰ কৰোঁতে মানুহে কি পৰিস্থিতিত সেই কাম কৰিবলগীয়া হ'ল সেই কথাও বিচাৰ কৰিবলগীয়া হয়।
**প্ৰায়োগিক বাক্য : বানপানীৰ পাছতেই সিহঁতৰ ঘৰখনৰ যি দুৰ্গতি হ'ল, এসাঁজ খাবলৈও টনা-টনি; অভাৱেই ল'ৰাকেইটাৰ স্বভাৱো নষ্ট কৰিলে। ❖**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## ঝুলন গোস্বামী

■ **পলাশ কুমাৰ নাথ**



ভাৰতীয় মহিলা ক্ৰিকেটৰ কথা ক'লে সততে আমাৰ মনলৈ অহা এটি নাম হ'ল ঝুলন গোস্বামী। ঝুলন গোস্বামী ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেলুৱৈ তথা ভাৰতৰ মহিলা জাতীয় ক্ৰিকেট দলৰ পূৰ্বৰ অধিনায়ক। এইগৰাকী অলৰাউণ্ডাৰ ক্ৰিকেট খেলুৱৈয়ে ভাৰতৰ জাতীয় দলৰ লগতে বেংগল অ'মেন (Bengal woman), ইষ্টজ'ন (East zone) আৰু এছিয়ান অ'মেন ইলেভেন (Asian women eleven) দলৰ হৈও ক্ৰিকেট খেলিছে। 'চাকদা এক্সপ্ৰেছ' (Chakda Express) নামে খ্যাত এইগৰাকী ক্ৰিকেটাৰে বেটিঙতকৈ বলিঙতহে বেছি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

১৯৮২ চনৰ ২৫ নৱেম্বৰত পশ্চিমবংগৰ মদিয়া জিলাত ঝুলন গোস্বামীৰ জন্ম হয়। পিতৃ নিশীথ গোস্বামী আৰু মাতৃ ঝৰ্ণা গোস্বামী। সৰুৰে পৰা ক্ৰিকেটৰ প্ৰতি আকৃষ্ট হোৱা ঝুলন গোস্বামীয়ে কলকাতাত প্ৰশিক্ষণ সমাপ্ত কৰাৰ পাছত তেওঁক 'বেংগল অ'মেন ক্ৰিকেট টিম'লৈ আমন্ত্ৰণ জনোৱা হয়। তাৰ পাছত ২০০২ চনৰ ৬ জানুৱাৰীত চেন্নাইত ইংলণ্ডৰ বিপক্ষে এদিনীয়া আন্তৰ্জাতিকত তেওঁৰ অভিষেক ঘটে। তাৰ পাছতেই ২০২২ চনৰ ১৪ জানুৱাৰীত ইংলণ্ডৰ বিপক্ষে টেষ্ট মেচত অভিষেক ঘটে। বৰ্তমানলৈকে ঝুলন গোস্বামীয়ে ১৯৯ খন এদিনীয়া মেচত ১২২৬ ৰাণ সংগ্ৰহ কৰাৰ লগতে ২৫০টা উইকেট দখল কৰিবলৈ সক্ষম হৈছে। টেষ্ট মেচৰ পৰিসংখ্যা হ'ল—১২ খন টেষ্টত ২৯১ ৰাণ আৰু ৪৪টা উইকেট। আনহাতে ৬৪ খন টি টুৱেণ্টি মেচত ৪০৫ ৰাণৰ লগতে তেওঁ ৫৬টা উইকেট দখল কৰিবলৈ সক্ষম হৈছে। ২০১৮ চনৰ আগষ্ট মাহত তেওঁ আন্তঃৰাষ্ট্ৰীয় টি টুৱেণ্টি খেলৰ পৰা অৱসৰ ঘোষণা কৰে। গোস্বামী হৈছে মহিলা আন্তঃৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেটৰ আটাইতকৈ বেছি উইকেট দখলকাৰী খেলুৱৈ। ২০২২ চনত তেওঁ এদিনীয়া মেচত ২৫০টা উইকেট দখল কৰা প্ৰথমগৰাকী মহিলা খেলুৱৈ হিচাপে পৰিগণিত হয়।

২০০৭ চনত আইচিচিৰ বৰ্ষশ্ৰেষ্ঠ মহিলা ক্ৰিকেটাৰ হিচাপে নিৰ্বাচিত হোৱা ঝুলন গোস্বামীয়ে ২০১০ চনত অৰ্জুন বঁটা আৰু ২০১২ চনত পদ্মশ্ৰী সন্মান লাভ কৰিবলৈ সক্ষম হয়। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা


আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## পৃথিৱীৰ আটাইতকৈ ডাঙৰ প্ৰাণী



নীলা তিমি একোটাৰ জন্মৰ সময়তে ওজন প্ৰায় সাত টন হয়। পূৰ্ণ অৱস্থাত ইয়াৰ ওজন হয়গৈ ১০০-১২০ টন। এই পৰিমাণ ৩০টা হাতী বা ২০০০ জন মানুহৰ সমান। পূৰ্ণ বয়স্ক একোটা নীলা তিমিৰ দৈৰ্ঘ্য হয়গৈ ২৫-৩৩ মিটাৰ। ইহঁতৰ জিভাখনৰ ওজনেই প্ৰায় ৩৫০ কিল'গ্ৰাম আৰু হৃদপিণ্ডটোৰ ওজন প্ৰায় ৫৫ কিল'গ্ৰাম। সৰু সৰু জেলী মাছ আৰু নানাবিধ সামুদ্ৰিক জীৱ তিমিৰ প্ৰধান খাদ্য। ইহঁতৰ খাদ্যগ্ৰহণ পদ্ধতিটো আমোদজনক। তিমিয়ে যেতিয়া মুখ মেলি দিয়ে, তেতিয়া পানীৰ লগত অজস্ৰ ক্ষুদ্ৰাকৃতিৰ মাছ আৰু জলচৰ জীৱ মুখৰ ভিতৰত সোমাই পৰে। ইহঁতৰ ওপৰৰ পাৰিত কাঁইটৰ দৰে দাঁত থাকে। কোৱাৰি বন্ধ কৰিলে দাঁতৰ মাজেৰে পানীবোৰ বাহিৰলৈ ওলাই আহে; কিন্তু মাছবোৰ মুখৰ ভিতৰতে থাকে। কিছুমান তিমিৰ দাঁত নাথাকে; দাঁতৰ ঠাইত ত্ৰিভুজাকৃতিৰ কিছুমান হাড়ৰ দৰে অংশহে থাকে। সিহঁতে তাৰেই সৰু সৰু সাগৰীয় প্ৰাণী চিকাৰ কৰে। একোটা নীলা তিমিক প্ৰতিদিনে ৩-৪ টন এনে আহাৰৰ প্ৰয়োজন হয়। ❖

## চিলিং ফেনৰ ব্লেডত বেছি ধূলি জমা হয় কিয়?



ফেন এখন যেতিয়া ঘূৰে তেতিয়া ইয়াৰ ব্লেডকেইখনে কিছু স্থিতিবিদ্যুৎ লাভ কৰে। ফলত বায়ু ফালি ঘূৰিবৰ সময়ত বায়ুত থকা ধূলি-বালি সেই ব্লেডকেইখনৰ আকৰ্ষণত জমা হৈ ৰয়। ফেনৰ আন অংশতকৈ ব্লেডৰ ধাৰাল অংশত বেছি ধূলি-বালি জমা হোৱা দেখা যায়। কাৰণ, সেই ধাৰাল অংশবোৰ বিদ্যুৎযুক্ত হোৱাৰ উপৰি বায়ু ফালি ঘূৰাৰ সময়ত অধিক বায়ুৰ সংস্পৰ্শলৈ আহে। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ জ্ঞান-বিজ্ঞানৰ কি, ক'ত, কিয়, কোন আৰু কেতিয়া)*

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**


### সততে ভুল হোৱা কেইটামান শব্দ


| ভুল | শুদ্ধ | ভুল | শুদ্ধ |
|---|---|---|---|
| জালিয়তি | জালিয়াতি | জীবিকা | জীৱিকা |
| জাৱৰ | জাবৰ | জীবিত | জীৱিত |
| জিংক | যিংক | জুকিয়াই | যুকিয়াই |
| জিৰণী | জিৰণি | জুপুৰী | জুপুৰি |
| জীৱাস্ম | জীৱাশ্ম | জুৰীয়া | যুৰীয়া |

### এটা শব্দত প্ৰকাশ কৰা

যি তিৰস্কৃত হোৱা নাই = অনিন্দনীয়
পাছে পাছে যোৱা কাৰ্য্য = অনুগমন
বাধা বা নিষেধ নথকা = নিৰংকুশ
যাৰ কোনো আশ্ৰয় নাই = নিৰাশ্ৰয়
যাক ৰোধ কৰা টান = দুৰ্নিবাৰ
যি কথাৰ অৰ্থ নাই = নিৰৰ্থক
যাৰ ছেদ নাই = নিৰন্তৰ
যি অতিশয় দৰিদ্ৰ = নিৰন্ন, নিঃস্ব, অকিঞ্চন
যাৰ সীমা নাই = নিৰবধি, অসীম
যাৰ কোনো অবয়ৱ নাই = নিৰবয়ব, নিৰাকাৰ
যাৰ কোনো ৰূপ নাই = অৰূপ
মিছা বুলি প্ৰমাণ কৰা কাৰ্য্য = নিৰাকৰণ
নিৰামিষ খোৱা মানুহ = নিৰামিষাহাৰী ❖

### তলৰ ছবি দুখনৰ ব্যক্তি দুগৰাকীক চিনাক্ত কৰা





# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ ঔষধি গছ

**শিলিখা** : ইংৰাজী নাম : Myrobalan, বৈজ্ঞানিক নাম : *Terminalia arjuna* :



শিলিখা আমাৰ সকলোৰে পৰিচিত এক বনৌষধি। ই কম্ব্ৰিটেচিয়া (Combretaceae) পৰিয়ালৰ অন্তৰ্গত সপুষ্পক উদ্ভিদ। ইয়াৰ উচ্চতা প্ৰায় ২৫ৰ পৰা ৩০ মিটাৰ পৰ্য্যন্ত হয়। দক্ষিণ এছিয়াৰ ভাৰত আৰু নেপালকে ধৰি দক্ষিণ-পশ্চিম চীন, শ্ৰীলংকাৰ দক্ষিণ অঞ্চল, মালয়েছিয়া, ভিয়েটনাম ইত্যাদি দেশত শিলিখাৰ গছ পোৱা যায়। ইয়াৰ ফুল পাতল নীলা-বগা ৰঙৰ আৰু ক্ষুদ্ৰাকৃতিৰ। নৱেম্বৰ-জানুৱাৰী মাহত এইবিধ গছৰ ফল ধৰে। শিলিখাই স্মৃতিশক্তি বৃদ্ধি কৰাৰ লগতে ডায়েবেটিছ ৰোগ নিৰাময় কৰে। তদুপৰি হৃদৰোগ, অৰুচি, কাহ, পেটৰ ৰোগ, অৰ্শ ৰোগ, কুষ্ঠ ৰোগ আদি বিভিন্ন ৰোগ নিৰাময়ৰ ক্ষেত্ৰত শিলিখা বৰ উপকাৰী। শিলিখাই মানুহৰ শৰীৰত ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি কৰে আৰু শৰীৰটো শক্তিশালী কৰে। ❖

**অমৰা** : ইংৰাজী নাম : Yellow mombin or Hog plum, বৈজ্ঞানিক নাম : *Spondias mombin* :



শীতকালত উপলব্ধ এবিধ বতৰৰ ফল হ'ল অমৰা। ই এবিধ এনাকাৰদিয়েচিয়া (Anacardiaceae) পৰিয়ালৰ অন্তৰ্গত সপুষ্পক উদ্ভিদ। ভাৰতকে ধৰি আফ্ৰিকা, মেক্সিকো, ব্ৰাজিল, শ্ৰীলংকা, নেপাল, বাংলাদেশ ইত্যাদি দেশত অমৰা উপলব্ধ। অমৰা গছৰ উচ্চতা প্ৰায় ২০ৰ পৰা ২৫ মিটাৰ। গছত যথেষ্ট ঠাল-ঠেঙুলি থাকে। অমৰাৰ ফল কেঁচাতে সেউজীয়া আৰু পূৰঠ হ'লে হালধীয়াৰ পৰা কমলা বৰণৰ হ'ব ধৰে। ইয়াৰ বাকলি ডাঠ। ভিতৰত পাতল ৰসাল তৰপ এটা থাকে। ইয়াৰ সোৱাদ টেঙা। অমৰাৰ ফলে ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়ায় আৰু কৰ্কটৰ বিৰুদ্ধে প্ৰতিৰোধীৰ কাম কৰে। বিভিন্ন ধৰণৰ ৰোগ, যেনে—বাত বিষ, ডিঙিৰ অসুখ, মেলেৰিয়া, পাকস্থলীৰ ৰোগ, কৃমি আৰু গ্ৰহণী ৰোগ, চৰ্ম ৰোগ ইত্যাদিৰ পৰা হাত সাৰি থাকিবলৈ অমৰাৰ ফল আৰু ইয়াৰ ৰস ব্যৱহাৰ কৰা হয়। অমৰাৰ কেৱল ফলেই নহয়, ইয়াৰ পাত, গছৰ বাকলি, ফুল আৰু শিপাৰো অনেক ঔষধি গুণ আছে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| জৈৱ ৰসায়ন | organic chemistry | বৰ্গীকৰণ | classification |
| | | কেৰাণী | clerk |
| চেক, ধনাদেশ | cheque | জলবায়ু | climate |
| সৰু আই | chicken pox | উপকূল | coast |
| লুটি আই | measles | বিধি | code |
| কালক্ৰম, সময়ানুক্ৰম | chronology | কুণ্ডলী | coil |
| গীৰ্জা | church | মুদ্ৰা | coin |
| চলচ্চিত্ৰ | cinema, movie | উপনিবেশীকৰণ | colonisation |
| আৱৰ্ত ভৱন | circuit house | প্ৰচণ্ড, বিৰাট | colossal |
| পৰিস্থিতি | circumstances | অধিনায়ক | commandant, captain |
| উল্লেখ কৰা | cite | | |
| নাগৰিকত্ব | citizenship | বাণিজ্য | commerce |
| পৌৰ বিজ্ঞান | civics | বাণিজ্যিক | commercial |
| অসামৰিক | civil | আয়োগ | commission |
| অসামৰিক সেৱা | civil service | সমিতি | committee |
| স্পষ্টীকৰণ | clarification | ৰাষ্ট্ৰমণ্ডল | commonwealth ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষাৰ পৰা)*

# ভাৰতৰ প্ৰথম কোম্পানীটো

■ ৰুণিমা শৰ্মা

ৱাডিয়া (wadia) গ্ৰুপ হৈছে ভাৰতবৰ্ষৰ এক বৃহৎ বহুজাতিক ঔদ্যোগিক প্ৰতিষ্ঠান। ইয়াৰ প্ৰধান কাৰ্য্যালয় মুম্বাই চহৰত অৱস্থিত। ১৭৩৬ চনতেই লোভজী নাচেৰৱানজি ৱাডিয়াৰ নেতৃত্বত এই প্ৰতিষ্ঠানৰ জন্ম হয়। লোভজী ৱাডিয়াই বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত ১৭৩৬ চনত বোম্বে চহৰত জাহাজ নিৰ্মাণৰ সুবিধা লাভ কৰি এই ব্যৱসায় আৰম্ভ কৰিছিল। সেই সময়ত বৃটিছ কোম্পানীৰ বাবে বোম্বাই (মুম্বাইৰ পুৰণি নাম) সমগ্ৰ এছিয়াত ব্যৱসায়ৰ খোপনি পোতাৰ এক সুবিধাজনক স্থান আছিল। সেয়েহে বোম্বাইত বৃটিছ চৰকাৰে জাহাজেৰে সুবিধাজনক বেহা-বেপাৰ আৰম্ভ কৰিছিল আৰু বোম্বাইৰ জৰিয়তে সমগ্ৰ এছিয়াৰ লগত সম্পৰ্ক ৰক্ষাৰ চেষ্টা কৰিছিল। এইদৰে বৃটিছ চৰকাৰৰ পৰা জাহাজ নিৰ্মাণৰ কণ্ট্ৰেক্ট লাভ কৰি ৱাডিয়া কোম্পানীয়ে ব্যৱসায় জগতখনত খোজ পেলালে।

ৱাডিয়া গ্ৰুপ এটি ব্যক্তিগত খণ্ডৰ কোম্পানী। প্ৰায় ২৮৬ বছৰ আগতেই বৃটিছ কোম্পানীৰ লগত ব্যৱসায় আৰম্ভ কৰি এই কোম্পানীটোৱে সমগ্ৰ বিশ্বজুৰি নিজৰ ব্যৱসায় বিস্তৃত কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় অৰ্থনৈতিক জগতখনলৈ বিশেষ অৱদান আগ বঢ়োৱা এই কোম্পানীৰ ৰাজহ প্ৰায় ২৮,০০০ কোটি টকা। বৰ্তমান এই কোম্পানীৰ চেয়াৰমেন হৈছে নাচলি ৱাডিয়া। এক পৰিয়ালকেন্দ্ৰিক এই কোম্পানীৰ অধীনত বহুকেইটা ব্যৱসায় প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। ৱাডিয়া গ্ৰুপৰ অধীনৰ বিভিন্ন কোম্পানীসমূহ হ'ল—১৮৭৯ চনত স্থাপন হোৱা বোম্বে ডায়িং, ১৮৬৩ চনত প্ৰতিষ্ঠিত বোম্বে ম্যানমাৰ ব্যৱসায় নিগম, ১৯১৮ চনত স্থাপন হোৱা ব্ৰিটানিয়া কোম্পানী, ১৯৯৯ চনত স্থাপন হোৱা নেছনেল পেৰ'ক্সাইড লিমিটেড।

ইয়াৰ উপৰি ৱাডিয়া গ্ৰুপৰ অধীনত আন বহুতো ব্যাৱসায়িক অনুষ্ঠান আছে, যেনে—গ্লেডৰেগ্‌চ (এখন ফেছন মেগাজিন), গো ফাৰ্ষ্ট এয়াৰ লাইনছ, কিংছ ইলেভেন পাঞ্জাব (সহ স্বত্বাধিকাৰী), বোম্বে ৰিয়েলিটি, ৱাডিয়া ইঞ্জিনিয়াৰিং লিমিটেড ইত্যাদি। বস্ত্ৰ নিৰ্মাণ, খাদ্য প্ৰস্তুতকৰণ, বিভিন্ন ধৰণৰ ৰাসায়নিক পদাৰ্থ প্ৰস্তুতকৰণ, প্ৰচাৰ মাধ্যম, ক্ৰীড়া জগত আদি বিভিন্ন ক্ষেত্ৰলৈও এই প্ৰতিষ্ঠানটোৱে অৰিহণা আগ বঢ়াইছে। আন আন দেশৰ লগত ভাৰতবৰ্ষৰ বৈদেশিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰতো এই প্ৰতিষ্ঠানৰ বিশেষ ভূমিকা আছে। দেশৰ অৰ্থনৈতিক ব্যৱস্থাক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ ক্ষেত্ৰতো এই অনুষ্ঠানৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। HMS মিনডেন, HMS কৰ্ণৱালিছ, HMS ট্ৰিনক'মেলি আদি বহুকেইখন জাহাজ এই প্ৰতিষ্ঠানটোৱে নিৰ্মাণ কৰিছিল।

তদুপৰি ২০১৭ চনত ৱাডিয়া গ্ৰুপেই নিৰ্মাণ কৰা গ' এয়াৰ (Go Air) এয়াৰ লাইনছ ভাৰতবৰ্ষৰ ভিতৰতেই পঞ্চম বৃহৎ এয়াৰ লাইনছ। ১৮৯২ চনত এই অনুষ্ঠানে নিৰ্মাণ কৰা ব্ৰিটেনিয়া কোম্পানীয়েও ভাৰতৰ খাদ্যজগতলৈ বিশেষ অৱদান আগ বঢ়াইছে। ব্ৰিটেনিয়াই প্ৰস্তুত কৰা বিস্কুট, ব্ৰেড, চকলেট আদি সামগ্ৰীসমূহ সমগ্ৰ ভাৰতবৰ্ষৰ লগতে বিশ্বতো বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ৱাডিয়া গ্ৰুপৰ অধীনৰ পঞ্জাব ছুপাৰ কিংছ ক্ৰিকেট দলটোৱে ভাৰতীয় প্ৰিমিয়াৰ লীগত অংশগ্ৰহণ কৰি আহিছে।

বৃটিছৰ লগত ফেৰ মাৰি সমানে সমানে ভাৰতৰ ব্যাৱসায়িক ক্ষেত্ৰখনত খোপনি পোতা ৱাডিয়া গ্ৰুপে আজিও সেই গৌৰৱময় ধাৰা অব্যাহত ৰাখিছে। ❖

# পুতলাৰ হাস্পতাল

■ জিতা গগৈ




আমাৰ ওচৰতে
মাহীদেউৰ ঘৰ
মাহীদেউৰ পুতলাটোৰ
হ'ল এদিন জ্বৰ
জ্বৰ জ্বৰ পানী লগা জ্বৰ
হাঁচি ঔ...

নির্মলপ্রভা বৰদলৈয়ে লিখা এই কবিতাটো আমি প্ৰায় সকলোৱে পঢ়িছোঁ। ইয়াত পুতলাটোৰ জ্বৰ হয় আৰু তেতিয়া ডাক্তৰ আহি পুতলাটোক বেজী এটা দিয়ে। ডাক্তৰৰ চিকিৎসা পাই পুতলাটো সুস্থ হয় আৰু পুনৰ হাঁহি হাঁহি খেলিবলৈ যায়। আমি অসুস্থ হ'লে ডাক্তৰৰ ওচৰলৈ যাওঁ আৰু ডাক্তৰে আমাক নিৰীক্ষণ কৰি চিকিৎসা আগ বঢ়ায় আৰু আমি সুস্থ হৈ উঠোঁ। তেনেকৈ যদি আমাৰ মৰমৰ পুতলাটো কেতিয়াবা ভাগি যায় বা বেয়া হৈ যায়, তেতিয়া ডাক্তৰে আহি ভাল কৰি দিলে কিমান যে ভাল লাগিলহেঁতেন। কেতিয়াবা নিজে চেষ্টা কৰাৰ পাছতো মেৰামতি সম্ভৱ নহয় আৰু তেতিয়াই অনুভৱ হয় কোনোবাই মেৰামতি কৰি দিলে ভাল হ'লহেঁতেন। কিন্তু বৰ্তমান এয়া সম্ভৱ। অসমত এয়া সম্ভৱ নহয় যদিও পৃথিৱীৰ বিভিন্ন ঠাইত এয়া সম্ভৱ, কিয়নো সেইবোৰ ঠাইত পুতলাৰ হাস্পতাল আছে। এনে হাস্পতালত পুতলা মেৰামতিৰ কাম কৰা হয়। এনে পুতলা হাস্পতাল থকা কেইখনমান ঠাই হ'ল— আলবামা, আলাস্কা, কেলিফ'ৰ্নিয়া, লিচবন, ফ্ল'ৰিডা, ইলিনয়, মেক্সিক', নিউয়ৰ্ক, অক'হোমা আদি। এই হাস্পতালসমূহৰ ভিতৰত সবাতোকৈ বিখ্যাত হাস্পতালখন আছে লিচবনত।

ইউৰোপ মহাদেশৰ দক্ষিণ-পশ্চিমত থকা পৰ্টুগাল দেশৰ এখন চহৰ হ'ল লিচবন। এই চহৰৰ মধ্যভাগত এখন হাস্পতাল আছে য'ত কেৱল পুতলাক চিকিৎসা আগ বঢ়োৱা হয়। এই পুতলা হাস্পতালখন প্ৰায় ১৯২ বছৰ পুৰণি। এইখন হাস্পতালৰ আৰম্ভণি হয় ১৮ শ শতিকাত প্ৰাচা ডা ফিগেইৰা (Praca de Figueira) নামৰ এখন শাক-পাচলি, ফল-মূল বিক্ৰী কৰা মুকলি বজাৰৰ পৰা। এই বজাৰতে ড'না কৰলতা (Dona Carlota) নামৰ এগৰাকী বয়োজ্যেষ্ঠা মহিলাই বিভিন্ন বনৌষধি আৰু মচলা বিক্ৰী কৰিছিল। তদুপৰি তেওঁ শিশুসকলৰ আমোদৰ বাবে পুতলা তৈয়াৰ কৰিছিল। কিছুমানৰ পুতলাবোৰ মেৰামতিও কৰি দিছিল। লাহে লাহে তেওঁ পুতলা তৈয়াৰ কৰা আৰু পুতলা মেৰামতি কৰা কামৰ বাবে শিশুসকলৰ মাজত জনপ্ৰিয় হৈ পৰে। ১৮৩০ চনত তেওঁ সেই ঠাইতে এখন পুতলা হাস্পতাল স্থাপন কৰে। বৰ্তমান সময়ত এইখনে পৃথিৱীৰ আটাইতকৈ পুৰণি পুতলা হাস্পতাল। ইয়াত সকলো ধৰণৰ পুতলা মেৰামতি কৰা হয়। সেয়ে গ্ৰাহকসকলে ন-পুৰণি সকলো ধৰণৰ পুতলাই এই হাস্পতাললৈ চিকিৎসাৰ বাবে অৰ্থাৎ মেৰামতিৰ বাবে আনে। আনকি কিছু লোকে ১০০ বছৰ পৰ্য্যন্ত পুৰণি পুতলাও ইয়ালৈ মেৰামতিৰ বাবে আনে। কিছুমান পুতলাৰ লগত পৰিয়াল অথবা বংশৰ মানুহৰ স্মৃতি জড়িত হৈ থাকে। সেয়েহে ভালদৰে সংৰক্ষণ কৰিবলৈ তেওঁলোকে এনে পুৰণি পুতলাও মেৰামতি কৰিবলৈ এই হাস্পতাললৈ আনে। তদুপৰি নতুন পুতলাৰো মেৰামতিৰ কাম ইয়াত সম্পন্ন হয়।

## নিবন্ধ

পুতলাবোৰ হাস্পতাললৈ অনাৰ পাছত তাত থকা নাৰ্ছগৰাকীয়ে প্ৰথমে পুতলাবোৰ নিৰীক্ষণ কৰে আৰু পুতলাৰ গৰাকীজনক কি কি মেৰামতিৰ প্ৰয়োজন হ'ব সেই বিষয়ে জনায়। পুতলাৰ গৰাকীজনে তেওঁৰ পুতলাটো তাত জমা দি আহিব লাগে। তাৰ পাছত পুতলাবোৰ আলমাৰি সদৃশ একোটা নিৰ্দিষ্ট স্থানত থোৱা হয় আৰু লগতে কি কি মেৰামতিৰ প্ৰয়োজন সেই বিষয়ে কাগজ এখনত লিখি থয়। পাছত পুতলাবোৰ এটা এটাকৈ অস্ত্ৰোপচাৰ কোঠালৈ নি মেৰামতি কৰে। ইয়াত পুতলাবোৰৰ ভগা হাত-ভৰি, বেয়া হোৱা চুলি, চকু, পোছাক, জোতা ইত্যাদি সলনি কৰা হয়। এই হাস্পতালৰ ভঁৰালঘৰত প্ৰচুৰ পৰিমাণে পুতলাৰ বিভিন্ন সামগ্ৰী থাকেই আৰু তাৰ পৰাই পুতলা মেৰামতিত ব্যৱহাৰ কৰে।

পুতলাবোৰৰ মেৰামতিৰ মূল্য প্ৰায় চাৰি ইউৰোৰ পৰা আৰম্ভ হয়। পুতলাটোৰ কিমান অংশ মেৰামতি কৰিব লগা হয় সেই হিচাপত মেৰামতিৰ মাচুল লোৱা হয়। পুতলাবোৰৰ লগত পুতলাৰ গৰাকীৰ আৱেগ জড়িত থাকে। যেতিয়া তেওঁলোকৰ প্ৰিয় পুতলাবোৰ মেৰামতি কৰি পুনৰ নতুন ৰূপত সজাই তোলে গৰাকীবোৰ অভিভূত তথা আৱেগিক হৈ পৰে। কেৱল লিচবনৰ স্থানীয় বাসিন্দাসকলেই নহয়, পৃথিৱীৰ বিভিন্ন দেশৰ মানুহে ডাকযোগে মৰমৰ পুতলাবোৰ মেৰামতিৰ বাবে এই হাস্পতাললৈ পঠিয়াই দিয়ে। মেৰামতি হোৱাৰ পাছত হাস্পতাল কৰ্তৃপক্ষই পুনৰ ডাকযোগে পুতলাৰ গৰাকীলৈ পুতলাবোৰ পঠিয়ায়। হয়তো মানুহৰ পুতলাৰ লগত জড়িত আৱেগবোৰ বুজি পায় বাবে এইখন হাস্পতালে এতিয়া প্ৰায় ২০০ বছৰ গৰকিবৰ হ'ল। ❖

## নিবন্ধ

# প্লেগ মহামাৰী

■ নৱনীতা কলিতা

বীজাণু ! আমি খালী চকুৰে দেখা নোপোৱা সূক্ষ্মাতিসূক্ষ্ম এটি বীজাণু পৰমাণু বোমাতকৈও যে ভয়াৱহ হৈ উঠিব পাৰে সেয়া আমি ইতিহাসৰ পাতত পাওঁ। সময়ে সময়ে বিভিন্ন ৰোগৰ বীজাণুৱে সমগ্ৰ পৃথিৱী তথা মানৱ জাতিক জোকাৰি থৈ গৈছে। বিশ্বৰ কোনো এখন শক্তিশালী দেশৰ বৃহত্তম সেনাবাহিনীটোতকৈও অধিক শক্তিশালী একো একোবিধ ৰোগৰ বীজাণু। হিৰোছিমা আৰু নাগাছাকিত আমেৰিকাই নিক্ষেপ কৰা পাৰমাণৱিক বোমাই প্ৰায় তিনি লাখ লোকৰ প্ৰাণ কাঢ়ি নিছিল যদিও কেতবোৰ ৰোগৰ বীজাণুৱে মহামাৰীৰ সৃষ্টি কৰি একো একোটা অঞ্চলত লাখ লাখ লোকৰ মৃত্যু ঘটাই অহাৰ নিদৰ্শন আমি বুৰঞ্জীৰ পাতত পাওঁ। আধুনিক চিকিৎসাবিজ্ঞানক ভেঙুচালি কৰা এনে কেতবোৰ ৰোগৰ বীজাণুৰ ভিতৰত প্লেগ ৰোগৰ বীজাণু অন্যতম।

৫৪১ খৃষ্টাব্দত মিছৰত পোনপ্ৰথমে এই ৰোগবিধে দেখা দিছিল। পিছত গৈ বাইজেণ্টাইন সাম্ৰাজ্য পাইছিলগৈ। লাহে লাহে ই মহামাৰীৰ ৰূপ ধাৰণ কৰি সমগ্ৰ ভূমধ্য সাগৰীয় অঞ্চলত মৃত্যুৰ ৰণশিঙা বজাইছিল।

প্লেগ এবিধ সংক্ৰামক আৰু মাৰাত্মক ৰোগ। 'পেষ্টিঅ'ৰে'লা পেষ্টিছ' নামৰ বীজাণুৰ পৰা এই ৰোগ হয়। প্লেগ মূলতঃ মানুহৰ নহয়, এন্দুৰৰ দেহতহে হয়। এই ৰোগ এন্দুৰৰ পৰা মানুহৰ দেহলৈ সঞ্চাৰিত হয়। ৰোগাক্ৰান্ত এন্দুৰৰ পৰা তেজ খোৱা মাখি বা মহে এই ৰোগ মানুহৰ শৰীৰলৈ সংক্ৰমিত কৰে। লেতেৰা, অপৰিচ্ছন্ন যিবোৰ স্থানত মানুহ আৰু এন্দুৰৰ সহাৱস্থান, সেইবোৰ ঠাইত এন্দুৰৰ দেহৰ পৰা মানুহৰ দেহলৈ প্লেগৰ জীৱাণু সংক্ৰমিত হোৱাৰ সম্ভাৱনা বেছি।

এন্দুৰ বা তেনেজাতীয় প্ৰাণীৰ দেহত



জেনোপছাইলা (Xenopsylla) নামৰ এবিধ ডাঁহে বাস কৰে। প্লেগৰ আক্ৰমণত কোনো কোনো এন্দুৰৰ মৃত্যু হ'লে, ডাঁহবিধে এন্দুৰৰ দেহ ত্যাগ কৰি মানুহক কামুৰিবলৈ আৰম্ভ কৰে আৰু তাৰ ফলতো প্লেগৰ সংক্ৰমণ হয়। এন্দুৰৰ পৰা এনেদৰে মানুহৰ দেহলৈ ৰোগ সঞ্চাৰিত হোৱাৰ উপৰি হাঁচি বা কাহৰ জৰিয়তে প্লেগ ৰোগীৰ শৰীৰৰ পৰা বীজাণু সুস্থ মানুহৰ দেহলৈ সংক্ৰমিত হয় আৰু পলকতে এই ৰোগবিধে মহামাৰীৰ ৰূপ ধাৰণ কৰে।

১৬৫৫ খৃষ্টাব্দত দ্বিতীয়বাৰৰ বাবে ভয়ংকৰভাৱে এই মহামাৰীয়ে উক্ দি উঠে আৰু সমগ্ৰ লণ্ডন চহৰখনক জোকাৰি থৈ যায়। মাত্ৰ সাত মাহৰ ভিতৰত প্ৰায় এক লাখ মানৱ জীৱনৰ অৱসান ঘটাইছিল এই ৰোগবিধে। ইয়াৰ লগতে জাৰ্মানী, ৰাছিয়া, পেৰু, পাৰাগুৱে, জাপান আদি দেশসমূহতো প্লেগ ৰোগবিধে মহামাৰীৰ ৰূপ ধাৰণ কৰি একো একোটা অঞ্চল উদং কৰি পেলাইছিল।

ইয়াৰ পাছত তৃতীয় প্লেগ মহামাৰী আৰম্ভ হৈছিল ১৮৫৫ চনত। চীন দেশৰ পৰা এই ৰোগৰ সূত্ৰপাত হৈছিল যদিও পিছলৈ এই ৰোগ ভাৰতলৈও বিয়পি পৰিছিল। প্ৰায় ডেৰ কোটি মানুহ এই মহামাৰীৰ চিকাৰ হৈছিল।

বিভিন্ন ধৰণৰ প্লেগ ৰোগৰ ভিতৰত নিউম'নিক প্লেগ আটাইতকৈ বেছিকৈ হোৱা দেখা যায়। এনে ধৰণৰ প্লেগত সচৰাচৰ নিউম'নিয়াৰ দৰে লক্ষণেই দেখা দিয়ে যদিও পৰিণতি সচৰাচৰ হোৱা নিউম'নিয়াতকৈ ভয়াৱহ হ'ব পাৰে। এনে ৰোগত ৰোগীৰ শৰীৰৰ ছালৰ তলৰ ৰক্তনলীবোৰ ফাটিবলৈ আৰম্ভ কৰে আৰু সেই তেজ গোট মৰাৰ ফলত শৰীৰৰ ৰং ক'লা হৈ পৰে। সেইবাবেই মধ্যযুগত প্লেগক 'ব্লেক ডেথ' হিচাপেও অভিহিত কৰা হৈছিল।

আন এক প্লেগ ৰোগ হৈছে—ছেপ্টিচেমিক (septicemic) প্লেগ। এই ধৰণৰ প্লেগত ৰোগৰ বীজাণু দ্ৰুতভাৱে তেজত বৃদ্ধি পায়। যথোচিত চিকিৎসা অবিহনে এই ৰোগত ৰোগীৰ মৃত্যু নিশ্চিত।

প্লেগৰ তৃতীয়টো প্ৰকাৰ বিউবোনিক (bubonic) প্লেগত ৰোগীৰ জ্বৰ উঠে আৰু লসিকা গ্ৰন্থিবোৰ ফুলিবলৈ ধৰে। সময়মতে যথোচিত চিকিৎসা নকৰালে বিউবোনিক প্লেগৰ আক্ৰমণত শতকৰা পঞ্চাছ ভাগ ৰোগীৰ মৃত্যু হয়। আনহাতে নিউম'নিক আৰু ছেপ্টিচেমিক প্লেগত শতকৰা এশভাগ ৰোগীৰ মৃত্যু হয়।

যুদ্ধ-বিগ্ৰহ বা কোনো প্ৰাকৃতিক দুৰ্য্যোগৰ পাছত সাধাৰণতে প্লেগৰ প্ৰাদুৰ্ভাৱ দেখা যায়। মধ্যযুগৰ ইউৰোপত কেইবাবাৰো প্লেগ ৰোগে মহামাৰীৰ ৰূপ লৈছিল। কিছু বছৰৰ আগেয়ে ভাৰতৰ গুজৰাটৰ চুৰাটত হোৱা মহামাৰীত বহু লোকৰ মৃত্যু হৈছিল। যাৰ কাৰণ প্লেগ বুলি ঠাৱৰ কৰা হৈছিল। প্ৰতিষেধক ছিটা আৰু উন্নতমানৰ ঔষধৰ বাবে বৰ্তমান অৱশ্যে পৃথিৱীত প্লেগ ৰোগক প্ৰায় নিয়ন্ত্ৰণ কৰিব পৰা হৈছে।

মানৱ জাতি প্লেগ মহামাৰীৰ সন্মুখীন কেইবাবাৰো হোৱাৰ নিচিনাকৈ বৰ্তমান ক'ৰোনা মহামাৰীয়েও কেইবাটাও ঢৌৰে মানৱ জীৱন শংকিত কৰি তুলিছে। গাৰ নোম শিয়ৰি উঠা মৃত্যুৰ পৰিসংখ্যা আৰু ইয়াৰ ফলাফলে মাত্ৰ এটা কথাই সোঁৱৰাই দিয়ে যে জীৱশ্ৰেষ্ঠ মানুহৰ হাতত খুব কমেই শক্তি আছে যাৰ দ্বাৰা আমি আমাৰ ভাগ্য নিৰ্ণয় কৰিব পাৰোঁ। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ শুদ্ধ উত্তৰ দিওঁতা (আগষ্ট সংখ্যা)

ৰিয়েলীনা ভৰদ্বাজ (দশম ঘ), অভিলেষ মেধি (অষ্টম গ)। ❖

# বৰষুণৰ গীত

■ সাক্ষী প্ৰিয়ম্বদা
নৱম শ্ৰেণী

"Rain rain go away,
Come again another day,
Little Johny wants to play,
Rain rain go away."

আমি তলৰ শ্ৰেণীত ইংৰাজী ৰাইমবোৰ (rhym) শিকিছিলোঁ। তাৰ ভিতৰত এইটোও আছিল এটা। এইবোৰ পাশ্চাত্যৰ সৃষ্টি। তেওঁলোকে বৰষুণ নিবিচাৰে, সেইবাবে ইয়াক আঁতৰাই পঠিয়াইছে। কিন্তু আমাৰ অসমীয়া কবি বা গীতিকাৰসকলে বৰষুণ ভাল পায়। তেওঁলোকে বৰষুণক আদৰি মাতে। এই কথা তেওঁলোকৰ গীত-কবিতাত সুন্দৰকৈ ফুটি উঠা দেখা যায়। তলৰ শ্ৰেণীত আমি ভবেন কুমাৰ বৰাই লিখা এটি কবিতা পঢ়িছিলোঁ। সেই কবিতাটোত বৰষুণৰ প্ৰতি থকা শিশু মনৰ আকৰ্ষণ ফুটি উঠিছিল। কবিতাটো আছিল এনে ধৰণৰ—

"বৰষুণ বৰষুণ
চোতালতে পৰাচোন
টৌ খেলি বৈ যাব নৈ
কাগজৰ নাও সাজি
উটুৱাই দিম আমি
সাগৰলৈ গুচি যাবগৈ।"



বৰষুণৰ বিষয়ে বহু গীত অসমীয়া গীতিকাৰসকলে লিখিছে। ইয়াৰে কেইটামান হ'ল—

জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'বাৰিষাৰ বৰষুণ'—"বাৰিষাৰে বৰষুণ/কিনো কৰ গুণ গুণ/কিনো গাৰ ৰুণ ৰুণ/কি বজাৰ জুন জুন/বাৰিষাৰ বৰষুণ," ভূপেন হাজৰিকাৰ—"ৰিমঝিম ৰিমঝিম বৰষুণে নেপুৰ বজাই ক'ত/গিৰ গিৰ ডাৱৰেনো মাদল বজাই ক'ত," হেমন্ত গোস্বামীৰ—"ৰিম-ঝিম ঝিম বৰষুণ পৰিছিল/মাজে মাজে বিজুলী নাচিছিল," তফজ্জুল আলিৰ—"কিন্ কিন্ বৰষুণ পৰে/মনবোৰ কেনেবা কৰে/ক'লা মেঘৰ আঁৰে আঁৰে/সূৰুযে ভুমুকি মাৰে", ড° ভবেন্দ্ৰনাথ শইকীয়াৰ—"ক'ৰ এজাক সপোন যেন বৰষুণ/ধূলিৰ ওৰণি ঠেলি/ভাহি আহে/কোমল মাটিৰ গুণ্ গুণ্ গুণ্ গুণ্/এজাক সপোন যেন বৰষুণ আদি।

বৰষুণৰ সৈতে অসমীয়াৰ আৱেগ জড়িত হৈ আছে। জীয়াই থাকিবলৈ বৰষুণ লাগিবই। বৰষুণেই পৃথিৱীত বাস কৰা জীৱকুলৰ বাবে প্ৰয়োজনীয় পানীৰ মূল উৎস। বৰষুণ পাই আমাৰ চাৰিওকাষৰ প্ৰকৃতি সেউজীয়া হৈ পৰে।

বৰষুণ খেতিয়কৰ বাবে দেৱতাস্বৰূপ হৈ পৰে। এই সকলোবোৰ দেখি-শুনিয়েই হয়তো ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই খেতিয়কৰ কণ্ঠেৰে গাইছিল—

"মেঘে গিৰ্ গিৰ্ কৰে
(আহা) হিৰ্ হিৰ্ মেঘে কৰে
বা লাগি আগলতি
কলাপাত লৰে।"

কিন্তু এতিয়া মানুহে এই বৰষুণলৈ ভয় কৰা হৈছে। চহৰত হোৱা কৃত্ৰিম বান, পানীৰ সোঁতত মথাউৰি ছিগি কৰা বানৰ ধ্বংসলীলা দেখিয়েই মানুহৰ মনত এনে ভাব হৈছে যে বৰষুণে তেওঁলোকৰ জীৱনলৈ মাতি আনে প্ৰলয়। পিছে এইবোৰৰ বাবে আমি বৰষুণক দোষ দিব নোৱাৰোঁ। ইয়াৰ বাবে হয়তো দায়ী আমি মানুহবোৰেই। বৰষুণৰ লগত অসমীয়াৰ আৱেগ জড়িত হৈ আছে। আশা কৰিছোঁ আগলৈও বৰষুণৰ প্ৰতি অসমীয়াৰ ভাবধাৰা একেই থাকিব। তেতিয়া আমি ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ভাবধাৰাৰে বৰষুণক সপোন যেন বুলি ক'ব পাৰিম। ❖

# মা

■ ময়ূৰ ডেকা
পঞ্চম শ্ৰেণী

আটাইতকৈ মৰমৰ
আটাইতকৈ চেনেহৰ
তুমিয়ে মোৰ মা।
দুখ-কষ্ট পাহৰি তুমি
বুকুত সাবটি লৈ
ৰাতি ৰাতি শুৱাই থৈছিলা
সাধুকথা কৈ
মোৰ সকলো ভাল লগা বেয়া লগা
বুজিবলৈ চেষ্টা কৰা
সেয়ে তুমি অতিকৈ আপোন,
আদৰৰ মোৰ মা। ❖



# সৌন্দৰ্য্য

■ দ্বীপশিখা বসুমতাৰী
পঞ্চম শ্ৰেণী

ভেঁট, পদুম, মেটেকা ফুলবোৰ
পানীত ওপঙি থাকে,
নদ-নদী, পুখুৰী, বিলে
মানুহক সহায় কৰে।
প্ৰকৃতিয়ে মানুহক সহায় কৰে
বিভিন্ন বিপদৰ পৰা
প্ৰকৃতিয়ে পৃথিৱী ধ্বংস নকৰে
এইটো জানি থ'বা।
খেতিপথাৰবোৰ ভৰি থাকে
সোণালী ধাননিৰে
গছ-গছনি, ফল-ফুলবোৰে
পৃথিৱীৰ সৌন্দৰ্য্য গঢ়ে। ❖

# চম্পাৰ হাঁহিটি

■ কৃষাণি কলিতা
একাদশ শ্ৰেণী (কলা)

দিহিঙৰ পাৰৰ সেই মনোমোহা নগৰখনি
ৰঙীন নগৰ, নিষ্পাপ মানুহ
যেন সৰগৰ আন এক ৰূপ... নাম কমলপুৰ
সেয়া শুনিছোঁ দূৰৈত
কোনো ৰাংঢালীৰ হাঁহিৰ খিলখিলনি
তাই কোন?... যৌৱনৰ ৰঙত ৰঙীন চম্পা
নে সৰগৰ অপ্সৰা
চম্পাৰ হাঁহিত মতলীয়া পৃথিৱী
উদ্‌বাউল কমলপুৰ
প্ৰতিজনৰে হিয়াৰ আমঠু চম্পা
নিকা মন, প্ৰাপ্তিৰ নিৰ্মল হাঁহি
পিছে, হাঁহিৰ মাজত লুকাই
আছে এবুকু দুখ
হৃদয়ৰ বিষাদখিনি নিজে নিচুকাই
পিন্ধি ল'লে
মুখত হাঁহিৰ ৰাঙলী সাজ
নুবুজে কোনেও... বুজিব কেনেকৈ
শৰবিদ্ধ বুকুখনত হিয়াৰ দুখ এৰি থৈ
চম্পা মিলি গ'ল
কমল নগৰৰ মাটিত পিন্ধি হাঁহিৰ মুখাখন
শত্ৰু আহিল... বাজি উঠিল ৰণডংকা
সৰগখন নৰক কৰি
সেউজক তেজেৰে ৰাঙলী কৰি
এদিন আঁতৰি গ'ল...
পিছে থাকি গ'ল চম্পাৰ হাঁহিটি
তাইৰ হৃদয় জুৰোৱা মিঠা মাতটি। ❖

*(কাঞ্চন বৰুৱাৰ উপন্যাস 'অসীমত যাৰ হেৰাল সীমা'ৰ ওপৰত আধাৰিত)*

# ষ্টুডিঅ’ ঘিব্‌লি

■ তন্ময়ী বৰুৱা
দ্বাদশ শ্ৰেণী (কলা)




১৯৮৫ চনত জাপানৰ টকিঅ’ত ষ্টুডিঅ’ ঘিব্‌লি (Studio Ghibli) নামৰ এনিমেছন ষ্টুডিঅ’টো স্থাপন কৰা হৈছিল। আজিৰ তাৰিখত চিনেমাৰ প্ৰতি আকৰ্ষিত বিশেষকৈ নৱপ্ৰজন্মৰ মাজত খুব কমসংখ্যকহে ওলাব যি ঘিব্‌লি চিনেমাৰ অনুৰাগী নহয়। ইয়াৰ আঁৰত থকা মূল তিনিজন ব্যক্তি হ’ল—ইছাউ টাকাহাটা (Isao Takahata), টশ্বিও ছুজুকী (Toshio Suzuki) আৰু হায়াঅ’ মিয়াজাকি (Hayao Miyazaki)। ঘিব্‌লি শব্দটো আৰবী শব্দৰ পৰা অহা। যাৰ অৰ্থ হ’ল চাহাৰাৰ গৰম বতাহ। কিয়নো নিৰ্মাতাসকলে ঘিব্‌লিৰ চিনেমাবোৰে জাপানৰ এনিমেছন উদ্যোগৰ ওপৰেৰে নতুন বতাহ বোৱাই নিবলৈ সক্ষম হ’ব বুলি আশা কৰিছিল। ঘিব্‌লিৰ স্বীকৃতিপ্ৰাপ্ত প্ৰথম চিনেমাখন হ’ল—ক্যাচেল ইন দা স্কাই (Castle in the sky)।

বৰ্তমান এনিমি চিনেমাসমূহ জাপান আৰু আন বহুতো দেশতে জনপ্ৰিয়তাৰ শীৰ্ষত যদিও ষ্টুডিঅ’ ঘিব্‌লিৰ প্ৰতিষ্ঠাৰ কালছোৱাত পৰিস্থিতি সম্পূৰ্ণ বিপৰীত আছিল। কিয়নো ‘My Neighbour Totoro’, ‘Castle in the sky’ৰ দৰে যিবোৰ চিনেমা আজি সফলতা আৰু জনপ্ৰিয়তাৰ শিখৰত, সেই ছবিবোৰে মুক্তিৰ সময়ত সৰহসংখ্যক দৰ্শকক আকৰ্ষিত কৰিব পৰা নাছিল। ১৯৮৯ চনত মুক্তি পোৱা Kiki’s Delivery Service চিনেমাখনৰ পাছৰ পৰাহে এই অৱস্থালৈ পৰিবৰ্তন আহিছিল। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ষ্টুডিঅ’ ঘিব্‌লিক তুলি ধৰা চিনেমাখন আছিল ১৯৯৭ চনত মুক্তিপ্ৰাপ্ত Princess Mononoke। যিসকল এনিমি চিনেমাৰ অনুৰাগী নহয় তেওঁলোকো কিন্তু ষ্টুডিঅ’ ঘিব্‌লিৰ চিনেমাৰ অনুৰাগী। এনিমিক লৈ প্ৰচলিত পৰম্পৰাগত ধাৰণাসমূহক ওফৰাই এনিমিক এক নতুন ৰূপ বা মাত্ৰা প্ৰদান কৰিলে ঘিব্‌লিয়ে। কেইখনমান জনপ্ৰিয় ঘিব্‌লি চিনেমা হ’ল—My Neighbour Totoro, Howl’s Moving Castle, Whisper of the Heart, Spirited Away, Grave of the Fireflies আদি।

হায়াঅ’ মিয়াজাকিক যেতিয়া প্ৰশ্ন কৰা হৈছিল যে তেওঁ কেনেকুৱা ধৰণৰ চিনেমা নিৰ্মাণ কৰিব খোজে, তেওঁ উত্তৰ দিছিল—“I would like to make a film to tell children, it’s good to be alive.” সঁচাকৈয়ে ষ্টুডিঅ’ ঘিব্‌লিৰ প্ৰত্যেকখন চিনেমাই এই কথাটোকে দাঙি ধৰিবলৈ চেষ্টা কৰে আৰু ইয়ে ইয়াৰ জনপ্ৰিয়তাৰো কাৰণ। নিগনি দৌৰত ব্যস্ত ভোগবাদী সমাজখনক অতি উচ্চমানৰ এনিমেছনৰ যোগেদি ষ্টুডিঅ’ ঘিব্‌লিয়ে বতাহত চুলি উৰুওৱা, বনৰীয়া ফুলেৰে ঢাকি থকা উপত্যকা আৰু আঁঠুৰাৰ তলত জোনাকী পৰুৱা ভৰাই কোঠা পোহৰোৱাৰ দৰে ছবি অতি সূক্ষ্মভাৱে দেখুৱায়। এটা শিশুৰ মনৰ উদ্ভূত সৰল কল্পনাক ই পৰ্দাত আনি দেখুৱায়। ইয়াতকৈ ধুনীয়া আৰু কি হ’ব পাৰে? আচলতে ঘিব্‌লি চিনেমাই আমাৰ মাজৰ পৰাই, আমাৰ মনৰ অলৌকিক কল্পনাক সাৰথি কৰি তথা আমাৰ চৌপাশৰ চিত্ৰকে বুটলি নি সুসংগঠিত ৰূপত আমাকেই দেখুৱায় আৰু কলা হিচাপে ইয়াৰ সাৰ্থকতাও এয়াই। ❖



# বন্ধুত্বৰ পৰিচয়

■ ৰিয়া কলিতা
নৱম শ্ৰেণী

ওচৰতে থকা গাঁৰুটো সাবটি ধৰি তাই বৰকৈ কান্দিছে। ভাগৰি পৰিছে তাই, অস্বস্তিত চকু-মুখ ৰঙা পৰি গৈছে। কিমান কান্দিব তাই, বাৰে বাৰে সেই স্কুলখন আৰু কৃষ্ণচূড়াজোপাৰ কথাই মনলৈ আহি থাকে তাইৰ। কেনেকৈ সেই স্কুলখনৰ কথা পাহৰিব? সেইখন স্কুলৰ লগত তাইৰ কিমান যে স্মৃতি জড়িত হৈ আছে! নাই, এনেকৈ তাই নোৱাৰিব থাকিব। তাইৰ মাজে মাজে এনে অনুভৱ হয় যেন তাই মৰা হ'লেই হয়তো শান্তি পালেহেঁতেন। কিন্তু তাইৰ ভয় হয় মৰিলেও জানো তাই সেই স্মৃতিবোৰ পাহৰিব পাৰিব? এনে বহু কথাই ভাবি ভাবি তাই বিছনাত শুই পৰিল।

"উঠা, নিশা। আজি দেওবাৰ বুলিয়েই ইমান দেৰিলৈকে শুই থাকিলে কেনেকৈ হ'ব? উঠা হাত-মুখ ধুই পঢ়া টেবুললৈ যোৱা।" মাকৰ মাত শুনি তাই লগে লগে সাৰ পালে। তাই গমেই নাপালে ৰাতি কেতিয়ানো টোপনি আহিল। হাত-মুখ ধুই তাই পঢ়া টেবুললৈ গ'ল। কিন্তু পঢ়াত তাই মন বহুৱাব নোৱাৰিলে। বাৰে বাৰে তাইৰ সেই বন্ধুবোৰ, সেই স্কুলৰ খেলপথাৰখন, কৃষ্ণচূড়াজোপা, এইবোৰ কথাই মনটো আকৌ দুখ-বেজাৰেৰে ভৰাই তুলিলে। প্ৰিয় বান্ধৱী প্ৰিয়াৰ লগত যে কিমান দিন কথা পতা নাই তাই! অথচ আগতে সদায় সেই কৃষ্ণচূড়াজোপাৰ তলত বহি মন খুলি কথা পাতিছিল সিহঁতে। বিৰতিৰ ঘণ্টা বাজিলে তৎ নোহোৱাৰ নিচিনা হৈ পৰে সিহঁতে। আৰু স্নেহা, তায়ো কম হহুঁৱাইছিলনে শ্ৰেণীত। কিন্তু এতিয়া তাইৰ লগত কথা পতা মানুহ নাই, হহুঁৱাবলৈ মানুহ নাই এনে এটা জীৱন লৈ জীয়াই থকাৰ মূল্যই বা কি? আটাইকেইজনীয়ে ঠিক কৰিছিল যে সিহঁতে ভালকৈ মেট্ৰিক পৰীক্ষা পাছ কৰি একেখন কলেজতে পঢ়িব। সেই প্ৰতিশ্ৰুতি, আশাবোৰ ক'ৰবাত হেৰাই গ'ল। প্ৰিয়াৰ লগত তাইৰ সৰু-সুৰা কাজিয়া লাগিয়েই থাকে। আনকি চুলিত ধৰা-ধৰি কৰি এটাই আনটোক মৰা-মৰিও কৰিছিল। কিন্তু সেইবোৰেইতো এতিয়া ভাল লগা স্মৃতি হৈ পৰিছে। হয়তো সেই মুহূৰ্তত উঠা খং-অভিমানবোৰে এতিয়া বেলেগ ৰূপ লৈছে।

হঠাৎ মাকে হাতত গাখীৰ এগিলাছ লৈ তাইৰ কোঠালৈ সোমাই আহিল। তাই মাক কোঠালৈ সোমোৱা গমেই নাপালে। মাকে দেখিলে নিশাৰ গালেৰে টোপ টোপকৈ চকুপানী বৈ যাব ধৰিছে। ঘামি-জামি ভাগৰি পৰিছে তাই। মাকৰ বুজিবলৈ বাকী নাথাকিল, তাইৰ কিয় এনেকুৱা অৱস্থা হৈছে। আচলতে তাইৰ যোৱাবাৰ পৰীক্ষা সিমান ভাল নোহোৱাৰ বাবে দেউতাকে এখন নতুন স্কুলত তাইক নাম লগাই দিলে, নৱম শ্ৰেণীত।

আগৰ স্কুলখনৰ স্মৃতিৰে ভৰা তাইৰ মনটো মাকে সলনি কৰিব নোৱাৰে। মাকে নিজৰ হাতেৰে তাইৰ মূৰটো পিহি মৰম কৰি ক'লে, "স্মৃতিয়ে ভৱিষ্যতৰ বাট দেখুৱায়। স্মৃতিক হেৰুৱাব নোৱাৰি, কিন্তু ভৱিষ্যতক সলনি কৰিব পাৰি। এতিয়া গাখীৰগিলাচ খাই লোৱা, আজি গধূলি আমি প্ৰিয়াহঁতৰ ঘৰলৈ যাম। এতিয়া দুখ নকৰিবা।" এইবুলি কৈ মাকে তাইক গাখীৰগিলাচ দি আঁতৰি গ'ল। তাই প্ৰিয়াক লগ পাম বুলি শুনি গাখীৰগিলাচ সোনকালে খাই শেষ কৰিলে। একমাত্ৰ প্ৰিয়াইহে তাইৰ মনটো ঠিক কৰিব পাৰে বুলি তাই ভালকৈয়ে জানে। কিমান যে ভাল লাগিল তাইৰ মনটো, তাই হয়তো নিজেও বুজাব নোৱাৰিলে। "বন্ধুত্বই যি শিকায় সেয়া কোনো শিক্ষকে শিকাব নোৱাৰে।" এদিন এই কথাষাৰ তাইক প্ৰিয়াই কৈছিল। আজিহে উপলব্ধি কৰিছে তাই, এই কথাষাৰৰ অৰ্থ। কৃষ্ণচূড়াৰ ফুলৰ দৰে তাইৰ মনটোও ৰঙা ৰঙা হৈ ফুলিব ধৰিছে। একমাত্ৰ প্ৰিয়াৰ বাবে। ❖

# নেপালৰ পশুপতিনাথ মন্দিৰ

■ দেবাংগ কলিতা
সপ্তম শ্ৰেণী



নেপালৰ ৰাজধানী কাঠমাণ্ডুৰ নাতি দূৰৈত পূব দিশে থকা পশুপতি চহৰত অৱস্থিত বিখ্যাত পশুপতিনাথ মন্দিৰ। পশুপতি নেপালৰ আটাইতকৈ পৱিত্ৰ স্থানৰূপে স্বীকৃত। ভগৱান শিৱৰ এই মন্দিৰটো নেপালৰ আন মন্দিৰৰ দৰে পেগোদাধৰ্মী। চতুৰ্দশ শতিকাত নেপালৰ ৰজা জয়সিংহ মালদেৱে এই মন্দিৰটো নিৰ্মাণ কৰোৱাইছিল বুলি জনা যায়। নেপালৰ নাথ সম্প্ৰদায়ৰ মন্দিৰ পশুপতিনাথ। এসময়ত ইয়াত নাথ সম্প্ৰদায়ৰ বহুল প্ৰসাৰ ঘটিছিল। নাথ সম্প্ৰদায়ে প্ৰতিষ্ঠা কৰা আন মন্দিৰবোৰৰ ভিতৰত বোধনাথ, স্বয়ম্ভূনাথ আৰু মহেন্দ্ৰনাথ মন্দিৰ উল্লেখযোগ্য। নেপালৰ বাগমতী নদীৰ পাৰত অৱস্থিত পশুপতিনাথ মন্দিৰৰ গৰ্ভগৃহত আছে ক'লা শিলেৰে নিৰ্মিত অতিকায় এক শিৱলিংগ। তামৰ পাটেৰে মেৰোৱা মন্দিৰৰ চূড়াটো সোণপানী চৰোৱা। মন্দিৰৰ দুৱাৰখন চেগুন কাঠৰ, তাত ৰূপৰ পাট খটোৱা আছে। গৰ্ভগৃহৰ শিৱলিংগৰ ওপৰতে পঞ্চাননৰ (শিৱৰ আন এটা নাম) এটা শিলৰ দৃষ্টিনন্দন বিগ্ৰহে শোভা পাইছে। পঞ্চভূতৰ প্ৰতীক এই পঞ্চাননৰ মূৰ্তিটো চতুৰ্ভুজ। দেৱ পঞ্চানন নেপালৰ ৰাজবংশৰ কুলদেৱতা। পশুপতিনাথ মন্দিৰৰ শিৱলিংগক দ্বাদশ শিৱলিংগৰ অন্যতম বুলি ধৰা হয়। প্ৰতি বছৰৰ শিৱৰাত্ৰিত ইয়াত ডাঙৰ মেলা বহে; দেশ-বিদেশৰ বহু ভক্তৰ সমাবেশ হয়। বহু ধৰ্মপ্ৰাণ লোকে জীৱনৰ শেষ সময়ছোৱা ইয়াত কটাবলৈ আহে। পশুপতিত ভৰি থৈ মৃত্যুবৰণ কৰিলে মোক্ষ লাভ হয় বুলি বিশ্বাস প্ৰচলিত। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (আগষ্ট, ২০২২)

ধীমান জ্যোতি বৰুৱা (নৱম গ), প্ৰিয়াংশু ডেকা (অষ্টম গ), হিমাংক ৰাজবংশী, আফ্ৰিদী ৰাহিদ (দশম খ), কংকনজ্যোতি মালাকাৰ (দশম ক), প্ৰজ্ঞান বৰুৱা (দশম ক), প্ৰকাশ নাথ (দশম ক), জ্যোৎস্না দাস (দশম ঘ),ত্ৰিবেণী শইকীয়া (সপ্তম ক), ইলভিচ মোস্তান শইকীয়া (দশম খ), ত্ৰিবেণী শইকীয়া (দশম ক), মোঃ ৰেহান আলী (অষ্টম ঘ), অৰিন্দম বৰা (অষ্টম গ), পূজা বৰ্মন (সপ্তম ক), কৃপালিনী চাংমা (নৱম ক), ৰূপাংকৰ চৌধুৰী (দশম ঘ), ময়ংক পাঠক (অষ্টম খ), অহিৰণ অন্তৰীপ (পঞ্চম ঘ), পল্লৱ কলিতা (ষষ্ঠ ঘ), গীতাৰ্থ শৰ্মা (নৱম গ), মানৱ জ্যোতি শৰ্মা (অষ্টম ঘ), হিমাংশু গগৈ (অষ্টম ঘ), হিমশিখা শৰ্মা (দশম ক), প্ৰাংগন লহকৰ (নৱম গ), ভাৰ্গৱ ভৰদ্বাজ (নৱম গ), লিচা পাঠক (দশম ঘ), ধৃতিষ্মান ডেকা (অষ্টম গ), ৰিয়েলীনা ভৰদ্বাজ (দশম ঘ), নিশিতা ডেকা (সপ্তম ক), ধীমান জ্যোতি কলিতা (ষষ্ঠ খ), বিমান কলিতা (অষ্টম ঘ), নৰোৎপল শৰ্মা (অষ্টম খ), হৰ্ষিতা মেধি (অষ্টম খ)। ❖

# চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ১৮৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | 4 | | 5 | | |
| 9 | | | 5 | | 2 | | | |
| | 1 | | | | | 3 | | |
| | 8 | | | 3 | 4 | | | |
| | | 7 | | | | | 6 | |
| | | | | 7 | | | 9 | |
| 7 | | | | 8 | 6 | 9 | | |
| 6 | 3 | 9 | | | 1 | 8 | | |
| | | | | 5 | 9 | | | 1 |

## চুড’কু ১৮৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 6 | 2 | 9 | 5 | 7 | 1 | 4 | 8 |
| 1 | 7 | 4 | 8 | 6 | 3 | 5 | 2 | 9 |
| 9 | 8 | 5 | 4 | 2 | 1 | 7 | 3 | 6 |
| 4 | 9 | 3 | 2 | 1 | 6 | 8 | 5 | 7 |
| 6 | 5 | 7 | 3 | 9 | 8 | 2 | 1 | 4 |
| 8 | 2 | 1 | 7 | 4 | 5 | 9 | 6 | 3 |
| 5 | 3 | 6 | 1 | 8 | 9 | 4 | 7 | 2 |
| 7 | 4 | 8 | 5 | 3 | 2 | 6 | 9 | 1 |
| 2 | 1 | 9 | 6 | 7 | 4 | 3 | 8 | 5 |

### তোমালোকে জানানে?

## বাস্তৱ-ভ্ৰম (virtual reality) কি?



সাধাৰণভাৱে ক’বলৈ গ’লে বাস্তৱ-ভ্ৰম হ’ল এনে ধৰণৰ এটা কৃত্ৰিম পৰিবেশ যাক বাস্তৱ পৰিবেশ যেনেই লাগে আৰু সহজে সেই কৃত্ৰিমতা ধৰিব নোৱাৰি। কম্পিউটাৰ আৰু পোহৰৰ সংমিশ্ৰণৰ জৰিয়তে সৃষ্ট এনে পৰিবেশত ত্ৰিমাত্ৰিক বা ত্ৰিবিমীয় (three dimentional) চিত্ৰৰ সৃষ্টি কৰা হয়। তাৰ লগতে সংযোগ কৰা হয় উপযুক্ত শব্দ। যিজন ব্যক্তিয়ে এনে বাস্তৱ-ভ্ৰম অনুভৱ কৰিব খোজে তেওঁ হেডফ’নযুক্ত এটা হেডছেট পিন্ধি ল’লেই হ’ল। কম্পিউটাৰ কৌশলৰ জৰিয়তে ত্ৰিবিমীয় চৰিত্ৰবোৰে তেওঁৰ চৌকাষে লৰচৰ কৰি থাকিব। শিক্ষা প্ৰদান, ব্যৱসায়, মনোৰঞ্জন আদিত এই বাস্তৱ-ভ্ৰমৰ ব্যৱহাৰ আজিকালি বহুল। ❖

*উৎস : কি কিয় কেনেকৈ, শান্তনু কৌশিক বৰুৱা*

## Did You Know ?

# No Man's Land

■ **Binoy B Gogoi**



Off Estonia's coast, there is a little island named Kihnu, where you won't find any man most of the time of the year. This tiny island is home to one of the world's last matriarchal societies. Women are in charge of this community and have been running the show for centuries. The men of Kihnu, go out to sea for fishing for months at a time and the women run the island in their absence and act as guardians of its traditions and culture.

In Kihnu, folk traditions are part of everyday life and are of the utmost significance to the community. Music is an especially important part of the island's traditions, and accompanies handicrafts, religious feasts and other celebrations. Children are taught how to play traditional musical instruments at school as well as Kihnu's dialect.

Kihnu is famous for its handicrafts and distinctive traditional clothing, which is still commonly worn today. Women play a key role in preserving this culture. Women from all walks of life proudly wear the traditional Kihnu dress. People often gather at the community centre, which is also the island's museum, to dance and sing traditional songs. ❖

# Sea Angel




All of you have heard about angels; but have you ever heard of sea angels? Well, unlike other angels who have human-like figures with wings, the sea angels are actually slugs. They are a large group of extremely small, sea slugs.The rhythmic flapping of its wings propels the sea angel through the open ocean and gives it the appearance of flying. Though it looks like an angel, it's really a prowling predator. Sea angels have a transparent body and are very small with the largest species reaching 5 cm only; however, those found in warmer waters are far smaller. Some species of sea angels feed exclusively on sea butterflies. The angels have terminal mouths with the radula common to mollusks, and tentacles to grasp their prey. They can swim twice as fast as their prey, the sea butterfly. When the sea angel comes in contact with a prey item, it pushes out finger-like tentacles from its head that grab onto the prey. The sea angel then uses hook-like appendages to pull the prey out of its shell and into its gut. The whole process can take from 2 to 45 minutes. ❖

# The Merchant of Venice

■ **Priom Saikia**

*(Continued from August Issue, 2022)*

As mentioned in the will of Portia's father, the one who selects the chest which contains her portrait will be her suitor. As such, the Prince of Morocco arrives at Belmont to win her hand at marriage. The Prince asks Portia not to judge him by his dark complexion. He assures her that he is a valorous and brave man. However, Portia reminds him that her opinion doesn't count as the will states that the one who selects the correct chest will be the eligible suitor.The Prince asks her to lead him to the chest of drawers where he can prove himself to be a worthy suitor. While leading him, Portia reminds him that if he fails to guess, he must remain unmarried forever. The Prince accepts this condition and progresses in his venture.




Simultaneously, Launcelot Gobbo, who is a servant of Sherlock (the Jewish money lender), is in a constant struggle to decide whether or not he should run away from his master. Launcelot has no specific complaints against his master except the fact that he is a Jewish, which he believes to be 'a kind of devil'.

When Gobbo is determined to leave, his father Old Gobbo arrives at the scene. As the old man is blind, he is unable to recognize his son, and therefore, he asks him how to find Sherlock's house where he hopes to find young Launcelot. Taking advantage of the situation, he decides to play a prank on him and gives the old man confusing directions as well as informs him that young Launcelot is dead.When Gobbo is devastated with the news and mourns the death of his son, young Launcelot reveals his identity.

When Gobbo is convinced that he is his 'own flesh and blood', he asks his son how he is doing. Launcelot reveals that he has decided to work for Bassanio before he is entirely corrupted by Sherlock's influence. He believes that if he serves a Jewish, he himself will be a Jewish. When Launcelot and Gobbo meet Bassanio, they plead him to employ Launcelot so that he can escape Sherlock's service. ❖

*(to be contd.)*

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. ‘?’ চিনৰ ঠাইত কি বহিব?

   100 : 121 : : 144 : ?

   a) 160 b) 93 c) 169 d) 426

2. ইংৰাজী বৰ্ণমালাত R ৰ বাঁওফালে পঞ্চম স্থানত থকা বৰ্ণটো কি?

   a) M b) N c) V d) T

3. FORGET শব্দটোৰ আখৰবোৰ বৰ্ণমালাৰ ক্ৰমত সজাই লিখিলে কিমানটা আখৰৰ স্থান অপৰিবৰ্তিত থাকিব?

   a) এটা b) দুটা c) তিনিটা d) চাৰিটা

4. এটা সংকেতত 'APPLE'ক 'ZKKOV' বুলি লিখা হয়। সেই সংকেতত 'COW' ক কি বুলি লিখা হ'ব?

   a) XMD b) XLD c) WLE d) WDL

5. এটা সংকেতত 'MADRAS'ক '517916' বুলি আৰু 'TENANT' ক '432124' বুলি লিখা হয়। সেই সংকেতত 'RMATSN' ক কি বুলি লিখা হ'ব?

   a) 851353 b) 951363 c) 951462 d) 941562

6. তলৰ অনুক্ৰমটোৰ ভুল সংখ্যাটো বাছি উলিওৱা :

   258, 130, 66, 34, 18, 8, 6

   a) 130 b) 66 c) 34 d) 8

7. তলৰ অনুক্ৰমটোৰ ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?

   5, 6, 9, 14, 21, ?

   a) 26 b) 28 c) 30 d) 34

8. ‘?’ চিনৰ ঠাইত কি বহিব?

   CE, GI, KM, OQ, ?

   a) TW b) TV c) SU d) RT


## মানসিক সামৰ্থ্য বিকাশ

9. ‘?’ চিনৰ ঠাইত কি বহিব?

CEG, IKM, OQS, ?


a) VXZ b) TVX c) TUV d) UWY

10. ‘?’ চিনৰ ঠাইত কি সংখ্যা বহিব?




a) 54 b) 51 c) 48 d) 44

11. ‘?’ চিনৰ ঠাইত কি বহিব?




a) 53 b) 76 c) 71 d) 68

12. কোন দুটা চিন পৰস্পৰ সালসলনি কৰিলে তলৰ সম্পৰ্কটো শুদ্ধ হ’ব?

– 9 × 27 + 9 ÷ 3 = 3

a) + আৰু – b) × আৰু + c) × আৰু – d) × আৰু ÷

13. তলৰ সংখ্যাক্ৰমটোত এনে কিমানটা 5 আছে যাৰ পূৰ্ববৰ্তী অংকটো 3 কিন্তু পৰবৰ্তী অংকটো 8 নহয়?

4 5 8 3 2 7 3 5 1 7 8 9 3 5 8 3 1 3 5 2

a) 3 b) 2 c) 4 d) 1

14. 75938462 সংখ্যাটোত এনে কিমানযোৰ অংক আছে যাতে সংখ্যাটোৰ অংককেইটা ঊৰ্দ্ধক্ৰমত লিখিলেও সিহঁতৰ মাজত থকা অংকৰ সংখ্যা একে থাকে?

a) 2 b) 3 c) 4 d) 6

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| **উত্তৰসমূহ :** | 1. c | 2. a | 3. a | 4. b | 5. c | 6. d | 7. c |
| | 8. c | 9. d | 10. a | 11. d | 12. c | 13. b | 14. d |

# চিলিকা হ্ৰদ

■ জুলি শইকীয়া



ভাৰতৰ ওড়িয়া ৰাজ্যৰ পুৰীত অৱস্থিত এটি সুন্দৰ চালে চকুৰোৰা হ্ৰদ হৈছে চিলিকা হ্ৰদ। এই হ্ৰদটোৰে প্ৰায় ২,১০০ বৰ্গ কিমি. ঠাই আগুৰি আছে। চিলিকা হ্ৰদটো ভাৰতৰ দ্বিতীয় বৃহত্তম হ্ৰদ আৰু ই হৈছে বৃহত্তম লুণীয়া পানীৰ হ্ৰদ। ভৌগোলিক তথ্যৰ পৰা ক'বলৈ গ'লে এই হ্ৰদটো এসময়ত বংগোপসাগৰৰ এটা অংশ আছিল। ইয়াৰ দৈৰ্ঘ্য ৭০ কিমি. আৰু প্ৰস্থ ৩০ কিমি.।

চিলিকা হ্ৰদ পৰিভ্ৰমী চৰাইৰ বাবে এক সুন্দৰ বসতিস্থান। ইয়ালৈ প্ৰায় ১৬০ বিধমান বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাই আহে। এই চৰাইবোৰ কাস্পিয়ান সাগৰ, আৰব সাগৰ আৰু বিভিন্ন দূৰ-দূৰণিৰ ঠাইৰ পৰা উৰি আহি চিলিকা হ্ৰদত শীতকালৰ দিনবোৰ অতিবাহিত কৰে। মন কৰিবলগীয়া কথা যে এই চৰাইসমূহৰ কিছুমানে ১২,০০০ কিমি. দূৰৈৰ পৰাও আহি এই হ্ৰদত গোট খায়হি। বিভিন্ন অনুসন্ধানকাৰী দলে অনুসন্ধান কৰি তথ্য লাভ কৰিছে যে ইয়াৰ শতকৰা ৪৫ ভাগ চৰাই মাটিত থকা প্ৰাকৃতিক চৰাই, শতকৰা ৩২ ভাগ পানীত থকা চৰাই আৰু বাকী শতকৰা ২৩ ভাগ চৰাই বগলী, কণামুচৰি জাতীয় হ্ৰদৰ কাষত থকা চৰাই। অৱশ্যে এই হ্ৰদত চৰাইৰ উপৰি প্ৰায় ১৪ প্ৰকাৰমানৰ সৰীসৃপ দেখিবলৈ পোৱা যায়। ১৫২ বিধ লুপ্তপ্ৰায় দুৰ্লভ প্ৰজাতিৰ ডলফিন, প্ৰায় ৩৭ বিধ বিভিন্ন প্ৰজাতিৰ উভচৰ প্ৰাণীৰ বাসস্থানো হৈছে চিলিকা হ্ৰদ। যিসকল ব্যক্তিৰ জীৱিকা উপাৰ্জনৰ মূল পথ মৎস্য চিকাৰ, তেওঁলোকৰ বাবে চিলিকা হ্ৰদ উপাৰ্জনৰ মূল উৎস। এই হ্ৰদৰ পৰাই প্ৰায় ১ লাখ ৫০ হাজাৰ লোকে মৎস্য চিকাৰ কৰি জীৱন নিৰ্বাহ কৰি আছে আৰু প্ৰায় ১৩২ খন গাঁৱৰ মানুহ এই বৃত্তিৰ লগত জড়িত হৈ আছে।

১৯৭১ চনত ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ত চিলিকা হ্ৰদক ভাৰতৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় আৰ্দ্ৰভূমিৰ হ্ৰদ হিচাপে স্বীকৃতি দিয়া হৈছিল। ইয়াৰ মূলতে আছিল ইয়াত থকা প্ৰায় ১ লাখতকৈয়ো অধিক সাধাৰণ জলপক্ষী, সামুদ্ৰিক পক্ষী, ৪০০তকৈয়ো অধিক স্তন্যপায়ী প্ৰাণী ইত্যাদি।

চিলিকা হ্ৰদটোক সুন্দৰভাৱে সংৰক্ষিত কৰি ৰাখিবলৈ আৰু ইয়াৰ পানীৰ গুণাগুণ অক্ষুণ্ণ ৰাখিবলৈ চিলিকা ডেভেলপমেণ্ট অথৰিটি (Chilika Development Authority, CDA) নামৰ এটা অনুষ্ঠান গঢ়ি তোলা হৈছে। ইয়াৰ পানীৰ ক্ষাৰকীয় গুণ, লুণীয়া গুণ এই সকলো দিশ এই বিভাগটোৱে পৰীক্ষা-নিৰীক্ষা কৰে।

ওড়িয়াৰ পৰ্য্যটন বিভাগ আৰু ৰাজহ বিভাগে পৰ্য্যটকৰ সুবিধাৰ্থে হ্ৰদটোত নাও, জাহাজ আদি চলাচলৰ সুন্দৰ ব্যৱস্থা কৰিছে। তদুপৰি ইয়াৰ পৰ্য্যটকসকলৰ থকাৰ বাবে আশে-পাশে হোটেল, গেষ্ট হাউছ আদিৰ ব্যৱস্থাও আছে।


চিলিকা হ্ৰদক বিষয়বস্তু হিচাপে লৈ ২০০৪ চনত আকাংক্ষা দামিনীয়ে চিলিকা বেংকছ (Chilika Banks) নামৰ এখন সুন্দৰ চলচ্চিত্ৰ নিৰ্মাণ কৰিছে। এই হ্ৰদৰ কাষত থকা এজোপা জৰী গছক কেন্দ্ৰ কৰি যোৱা চাৰি দশকৰ পৰা চিলিকা হ্ৰদত হোৱা পৰিৱৰ্তনবোৰক সুন্দৰভাৱে চলচ্চিত্ৰখনত ফুটাই তোলা হৈছে। ❖

# ভূ-পদাৰ্থ বিজ্ঞান পাঠ্যক্ৰমৰ সবিশেষ

■ জোনালী দেৰী

## ভূ-পদাৰ্থবিজ্ঞান (Geophysics) কি ?

ভূ-পদাৰ্থবিজ্ঞান হৈছে পৃথিৱীৰ ভৌতিক প্ৰক্ৰিয়া, ভৌতিক গুণাগুণ আৰু মহাকাশৰ পৰিবেশৰ অধ্যয়ন। এই বিষয়ৰ অধ্যয়নে পৃথিৱীৰ আকৃতি, পৃথিৱীৰ মহাকৰ্ষণীয় আৰু চুম্বকীয় ক্ষেত্ৰ, অভ্যন্তৰীণ গাঁথনি বা গঠন, পৃথিৱীৰ গতিশীলতা, মেগমাৰ জন্ম, আগ্নেয়গিৰি আৰু শিলৰ গঠন আদি সামৰি লৈছে। এক কথাত ক'বলৈ গ'লে ভূ-পদাৰ্থবিজ্ঞান হৈছে পৃথিৱীৰ বিজ্ঞান (Earth Science), যিয়ে সমাজৰ অতি গুৰুত্বপূৰ্ণ বিষয় বা প্ৰয়োজন যেনে, প্ৰাকৃতিক দুৰ্যোগ হ্ৰাস কৰা, পৰিবেশ সুৰক্ষিত কৰা, খনিজ সম্পদ আহৰণ কৰা আদি দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।




## ভূ-পদাৰ্থবিজ্ঞান পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে প্ৰয়োজনীয় অৰ্হতা

যিসকল শিক্ষাৰ্থীয়ে এই বিষয়ত অধ্যয়ন কৰিব বিচাৰে আৰু ১০+২ (বিজ্ঞান)ত পদাৰ্থবিজ্ঞান, গণিত বা কম্পিউটাৰবিজ্ঞান এক বিষয় হিচাপে অন্তৰ্ভুক্ত, তেওঁলোকে ভূ-পদাৰ্থবিজ্ঞানত বিএছচি (Bachelor of Science) পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰিব। লগতে যিসকল শিক্ষাৰ্থীয়ে পদাৰ্থবিজ্ঞানত বিএছচি ডিগ্ৰী লাভ কৰিছে বা যিসকল শিক্ষাৰ্থীয়ে স্নাতক পাঠ্যক্ৰমত ভূ-বিজ্ঞান (Geology), ইলেকট্ৰনিক বিজ্ঞান (Electronic Science), ৰসায়নবিজ্ঞান (Chemistry) বা গণিত (Mathematics) এক বিষয় হিচাপে অধ্যয়ন কৰিছে আৰু কমেও ৬০% নম্বৰেৰে স্নাতক ডিগ্ৰী লাভ কৰিছে তেওঁলোকে ভূ-পদাৰ্থবিজ্ঞানত এমএছচি (Master of Science) বা এমএছচি-পিএইচডিৰ সমন্বিত পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰে।

লগতে পদাৰ্থবিজ্ঞানৰ স্নাতকসকলে ভূ-পদাৰ্থবিজ্ঞানত এম.এছ.চি. কৰাৰ উপৰি প্ৰায়োগিক ভূ-পদাৰ্থবিজ্ঞানত এম.এছ.চি. টেকৰ (M.Sc. Tech, Applied geophysics) তিনি বছৰীয়া পাঠ্যক্ৰমো বাছনি কৰিব পাৰে।

## নামভৰ্তিৰ প্ৰক্ৰিয়া

ভূ-পদাৰ্থবিজ্ঞান পাঠ্যক্ৰমত নামভৰ্তি ৰাষ্ট্ৰীয় পৰ্য্যায়, ৰাজ্যিক পৰ্য্যায় আৰু বিশ্ববিদ্যালয় পৰ্য্যায়ত প্ৰবেশ পৰীক্ষাৰ জৰিয়তে কৰা হয়। বিভিন্ন প্ৰবেশ পৰীক্ষা, যেনে—জেইই এডভান্সড (JEE Advanced), এ ইউ চি ই টি (Andhra University Common Entrance Test, AUCET), বি এইচ ইউ পি ই টি (Banaras Hindu University Post Graduate Entrance Test, BHUPET) আদিত অৱতীৰ্ণ হৈ শিক্ষাৰ্থীসকলে এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। শেহতীয়াকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়তো ভূ-পদাৰ্থবিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। বিশ্ববিদ্যালয়খনে নিজাববীয়াকৈ পতা প্ৰবেশ পৰীক্ষাৰ জৰিয়তে এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰি।


## কেৰিয়াৰৰ বিভিন্ন সুযোগ

ভূ-পদাৰ্থবিজ্ঞানত ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে তলত উল্লেখ কৰা বিভিন্ন পথত নিজৰ কেৰিয়াৰ গঢ়িব পাৰে—১। Exploration Geophysics, ২। ভূ-কম্পন বিজ্ঞান (Seismology), ৩। জিঅ'ডেটিক্স (Geodetics), ৪। বায়ুমণ্ডলীয় পদাৰ্থবিজ্ঞান (Atmospheric Physics), ৫। পাৰিপাৰ্শ্বিক ভূ-পদাৰ্থবিজ্ঞান (Environmental Geophysics), ৬। বতৰবিজ্ঞান (Meteorology), ৭। সমুদ্ৰিকবিজ্ঞান (Oceanography) ইত্যাদি। ❖

# কথাসৰিৎসাগৰ

■ ভাস্কৰজ্যোতি হাঁলৈ

প্ৰাচীন ভাৰতৰ কবি-সাহিত্যিকসকলৰ ভিতৰত মহাকবি গুণাঢ্যৰ নাম লেখত ল'বলগীয়া। গুণাঢ্যই বৃহৎকথা নামৰ এখন গ্ৰন্থ পৈশাচী প্ৰাকৃত ভাষাত ৰচনা কৰিছিল। এই গ্ৰন্থখনৰ কোনো লিখিত নিদৰ্শন পোৱা নাযায়। অৱশ্যে গ্ৰন্থখনৰ তিনিটা সংকলনৰ সাৰকথা পৰৱৰ্তী সময়ত উদ্ধাৰ হৈছিল। এই সাৰকথাসমূহৰ পৰাই সম্ভৱতঃ ১০৬৩ৰ পৰা ১০৮৮ খৃষ্টাব্দৰ মাজভাগত প্ৰায় ১০৭০ খৃষ্টাব্দত সংস্কৃত কবি সোমদেৱে সংস্কৃত ভাষাত কথাসৰিৎসাগৰ গ্ৰন্থখন ৰচনা কৰিছিল।




পৈশাচী প্ৰাকৃতত ৰচিত গুণাঢ্যৰ বৃহৎকথাৰ তৃতীয়খন প্ৰাচীন সংকলনেই আছিল কথাসৰিৎসাগৰ। কথাসৰিৎসাগৰ গ্ৰন্থৰ পাতনিত কবি সোমদেৱে এই কথা স্বীকাৰ কৰি থৈছে। সোমদেৱ আছিল এজন শৈৱ ব্ৰাহ্মণ। তেওঁ আছিল ৰজা অনন্তৰ সভাকবি। সোমদেৱৰ পিতৃৰ নাম আছিল ৰামভট্ট।

কথাসৰিৎসাগৰ গ্ৰন্থখনৰ নামটো যথেষ্ট অৰ্থৱহ। নামটোৰ অৰ্থ হ'ল 'কথা' (কাহিনী), সৰিৎ (নদীসমূহ), সাগৰ (বিশাল জলৰাশি) অৰ্থাৎ নানান সৰু সৰু নৈ-উপনৈ লগ লাগি সাগৰলৈ ৰূপান্তৰিত হোৱাৰ দৰে ইয়াত বিভিন্ন কাহিনীৰ সমাহাৰ হৈছে।

গ্ৰন্থখন ৰচনাৰ ক্ষেত্ৰত কোৱা হয় যে ত্ৰিগৰ্ভৰ (বৰ্তমানৰ জলন্ধৰ) ৰাজকন্যা আৰু কাশ্মীৰৰ ৰজা অনন্তৰ ৰাণী সূৰ্য্যমতীৰ (সূৰ্য্যৱতী) বিনোদনৰ বাবে এই গ্ৰন্থখন ৰচনা কৰা হৈছিল। কিছুমানে কাশ্মীৰৰ অভ্যন্তৰীণ দ্বন্দ্ব আৰু ৰজাৰ নীতিবোধহীনতাত বিচলিত হৈ এই গ্ৰন্থখন ৰচনা কৰা হৈছিল বুলিও কয়। আনহাতে সোমদেৱৰ পূৰ্বৱৰ্তী কবি ক্ষেমেন্দ্ৰৰ বৃহৎকথামঞ্জৰী গ্ৰন্থখন সংক্ষিপ্ত আৰু সুখপাঠ্য নোহোৱাৰ বাবেও কথাসৰিৎসাগৰখন ৰচনা কৰা হৈছিল বুলি জনা যায়।

বৃহৎকথামঞ্জৰী গ্ৰন্থখনৰ দৰে কথাসৰিৎসাগৰ গ্ৰন্থখনো অষ্টাদশ অধ্যায়ত বিভক্ত। কথাপীঠ, কথামুখম, লাবানকঃ, নৰবাহনদত্তজননঃ চতুৰ্দাৰিকা, মদনমঞ্চুকা, ৰত্নপ্ৰভা, সূৰ্য্যপ্ৰভা, অলংকাৰৱতী, শক্তিযশঃ, বেলা, শশাঙ্কৱতী, মদিৰাৱতী, পঞ্চ, মহাভিষেকঃ, সুৰৎমঞ্জৰী, পদ্মাৱতী, বিষমশীলঃ নামেৰে ওঠৰটা অধ্যায় নামকৰণ কৰা হৈছে। সমগ্ৰ গ্ৰন্থখনত আছে ১২৪টা তৰংগ (খণ্ড) আৰু প্ৰায় ২২ হাজাৰটা শ্লোক। একাদশ অধ্যায় 'বেলা'ৰ বাহিৰে বাকী আটাইবোৰ অধ্যায়েই একাধিক তৰংগত (খণ্ড) বিভক্ত। বেলাত মাত্ৰ এটা তৰংগ (খণ্ড) আছে আৰু গ্ৰন্থখনত এই অধ্যায়টোকেই সংক্ষিপ্ত ৰূপ প্ৰদান কৰা হৈছে। আনহাতে দ্বাদশ অধ্যায় শশাংকৱতী অতিশয় দীৰ্ঘ। ইয়াত ১৬টা তৰংগ (খণ্ড) আৰু প্ৰায় ৫ হাজাৰটা শ্লোক আছে।

গ্ৰন্থখনৰ প্ৰধান বৰ্ণনীয় বিষয় উদয়ন-বাসৱদত্তা আৰু তেওঁলোকৰ পুত্ৰ নৰবাহনদত্ত আৰু প্ৰধান পুত্ৰবধূ মদনমঞ্চুকাৰ কাহিনী। বেতালপঞ্চবিংশতি, পঞ্চতন্ত্ৰ আৰু বৌদ্ধ জাতকৰো বহু কাহিনী কথাসৰিৎসাগৰত অন্তৰ্ভুক্ত হৈ আছে। ইয়াত থকা ৯০০টা কাহিনীৰ ভিতৰত ৭৭টা কাহিনীয়েই জাতকৰ কাহিনী।

গ্ৰন্থখনে ভাৰতৰ লগতে পাশ্চাত্য সাহিত্যতো প্ৰসিদ্ধি লাভ কৰিছে। ইয়াৰে কেইবাটাও কাহিনী জাৰ্মান আৰু ইংৰাজী ভাষালৈও অনূদিত হৈছিল। ❖

## কুইজ

১। ১৮১৯ চনত ছাৰ টমাছ ষ্টেমফৰ্ড ৰাফলছে কোনখন দেশ প্ৰতিষ্ঠা কৰিছিল?

২। বিৰ (Birr) পূৰ্বতে আবিচিনিয়া বুলি জনাজাত দেশখনৰ মুদ্ৰাবিধৰ নাম। দেশখন কি?

৩। দক্ষিণ আফ্ৰিকাৰ ৰাজধানী চহৰ তিনিখন। প্ৰশাসনীয়খন হ'ল প্ৰিট'ৰিয়া। বিধায়িনীখন হ'ল কেপটাউন। ন্যায়িক ৰাজধানীখনৰ নাম কি?

৪। 'বুৰঞ্জীবিবেক ৰত্ন' নামৰ কিতাপখন ১৮৫৮ চনত ইংৰাজে ফাঁচি দিয়া লোক এজনে লিখিছিল। তেওঁ কোন?

৫। 'বাহাৰিস্তানে গাইবি' নামৰ পুথিখন অনুবাদ কৰা লোকজন অসম সাহিত্য সভাৰ (যোৰহাট অধিবেশন, ১৯৪০) সভাপতি আছিল। তেওঁ কোন?

৬। অসমৰ চাহ পোন প্ৰথমবাৰৰ বাবে লণ্ডনৰ চাহ নিলাম বজাৰত কেতিয়া বিক্ৰী হৈছিল?

৭। বৃটিছ উকীল পিটাৰ বেৰেনছনে বাতৰি কাকতযোগে জনোৱা এটা আহ্বানৰ ফলত ১৯৬১ চনৰ ২৮ মে'ত কোনটো মানৱ অধিকাৰ সংস্থাৰ জন্ম হৈছিল?

৮। ১৯৬৪ চনৰ পৰা মালাৱি বুলি খ্যাত হোৱা দেশখনক আফ্ৰিকাৰ নাছা হ্ৰদৰ নামেৰে কোনে ন্যাছালেন্ড ৰাখিছিল?

৯। খকচি পূজা বা খোকচি পূজা কোন জনগোষ্ঠীৰ অন্যতম প্ৰধান ধৰ্মানুষ্ঠান?

১০। কটন কলেজৰ এমব্লেম বা বেজটো সাজোঁতাজনে 'অগ্নিব্ৰজ' আৰু 'বেজবৰুৱাৰ গীত' নামৰ দুখন গ্ৰন্থও প্ৰকাশ কৰিছে। তেওঁ কোন?

১১। ড° মহেশ্বৰ নেওগৰ মতে বৰগীত শব্দটোৰ প্ৰথম উল্লেখ ক'ত পোৱা যায়?

১২। বৃটেইনৰ হাউছ অৱ কমনছৰ লগতে লাগি থকা ছেইণ্ট ষ্টিফেঞ্চ টাৱাৰত থকা বিখ্যাত বস্তুটো কি?

১৩। ফ্ৰী টাউন দেশখনৰ ৰাজধানী। দেশখনৰ নামটোৰ অৰ্থ সিংহৰ পাহাৰ। দেশখন কি?

১৪। বটছোৱানা নামৰ দেশখনৰ মুদ্ৰাবিধৰ নামটোৰ অৰ্থ বৰষুণ। ই আশীৰ্বাদো বুজায়। মুদ্ৰাবিধৰ নাম কি?

১৫। কামৰূপ জিলাৰ 'আমিনগাঁৱত আই.আই.টি. (IIT) গুৱাহাটীৰ উপৰি আন এখন সৰ্বভাৰতীয় শিক্ষা প্ৰতিষ্ঠান আছে। এই প্ৰতিষ্ঠানখনৰ সম্পূৰ্ণ নাম কি?

১৬। কোনটো ফুটবল দলক 'ৰেড ডেভিলছ' (The Red Devils) নামেৰে জনা যায়?

১৭। কোনগৰাকী ভাৰতীয় মিছ ৱৰ্ল্ডৰ প্ৰথমখন চিনেমাৰ নাম 'ইৰুভাৰ'?

১৮। হিষ্ট্ৰী অব হিন্দু কেমিষ্ট্ৰীৰ লেখক বিজ্ঞানীজনক আধুনিক ভাৰতীয় ৰসায়ন উদ্যোগৰ জনক বুলি কোৱা হয়। তেওঁ কোন?

১৯। ভাৰতৰ প্ৰথম আইনমন্ত্ৰীজন আমাৰ দেশৰ সংবিধানৰ খচৰা প্ৰস্তুতকৰণৰ আঁৰৰ প্ৰধান ব্যক্তি। তেওঁ কোন?

২০। ইজিপ্তৰ নীল নদীত থকা আছোৱান বান্ধ নিৰ্মাণৰ ক্ষেত্ৰত কোনখন দেশে সাহায্য আগ বঢ়াইছিল? ❖

■ **সংগ্ৰহ : হিৰণ্য কলিতা**

### তোমালোকৰ বাবে প্ৰশ্ন

১। কোনখন দেশত সৰ্বাধিক পৰিমাণৰ কফি উৎপাদন হয়?

২। কোনখন দেশক 'ইউৰোপৰ খেলপথাৰ' নামেৰে জনা যায়?

৩। কোনখন দেশক 'হাজাৰ হ্ৰদৰ দেশ' নামেৰে জনা যায়?

৪। পৃথিৱীৰ কোনখন দেশত আটাইতকৈ দীঘল পোন পথ আছে?

৫। বৃটিছ শাসনৰ পিছত কোন চনত হংকং চীন দেশৰ অন্তৰ্ভুক্ত হৈছিল? ❖

# ইজিপ্তীয় সভ্যতা

■ ধৃতিপৰ্ণা নাথ



পৃথিৱীৰ বিভিন্ন সভ্যতাৰ ভিতৰত এটা উল্লেখযোগ্য সভ্যতা হ'ল ইজিপ্তীয় সভ্যতা। প্ৰাচীন ইজিপ্তৰ সভ্যতাৰ আৰম্ভণিৰ কেন্দ্ৰবিন্দু হিচাপে আমি নীল নদীক ক'ব পাৰোঁ। প্ৰায় ৫০০০ বছৰৰ আগতে নীল নদীৰ পাৰত এই সভ্যতাৰ আৰম্ভণি হৈছিল। নদীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা বাবে ইজিপ্তীয় সভ্যতাক 'নদীপ্ৰধান সভ্যতা' বুলিও জনা যায়। ইজিপ্তখনৰ বেছিভাগ অঞ্চল বালিময় তথা বৰষুণৰ পৰিমাণ বহুত কম আছিল। ফলস্বৰূপে কৃষিকাৰ্য্য সম্ভৱপৰ নাছিল আৰু কৃষিৰ সুবিধা নথকা ঠাইত সভ্যতা গঢ়ি উঠাটো অস্বাভাৱিক। এই সভ্যতাৰ আৰম্ভণি নীল নদীৰ কাৰণেই হৈছিল। নীল নদীত বছৰি হোৱা বানপানীয়ে ইজিপ্তৰ মাটি সাৰুৱা বা উৰ্বৰা কৰি তুলিছিল। তাৰ ফলস্বৰূপে মানুহে খেতি কৰিবলৈ সুবিধা পাইছিল আৰু মানুহৰ বসতি ক্ৰমান্বয়ে বৃদ্ধি পাইছিল। এইটো কাৰণেই পঞ্চম শতিকাত বিখ্যাত হিৰ'ডটাছে (Herodotus) ইজিপ্তক 'নীল নদীৰ দান' বুলি বৰ্ণনা কৰিছিল।

এই সভ্যতাৰ আৰম্ভণি কেনেকৈ হ'ল? ইতিহাসবিদসকলে কোৱা মতে চতুৰ্থ শতিকাত ইজিপ্তখন দুটা খণ্ডত বিভক্ত আছিল। সেই দুটা হ'ল—উজনি আৰু নামনি ইজিপ্ত। ইজিপ্তৰ প্ৰথমজন ৰজা আছিল 'মিনেচ,' তেওঁ ৩২০ খৃ.ত এই দুই অংশ একত্ৰিত কৰিছিল আৰু ইজিপ্তৰ সভ্যতাৰ আৰম্ভণি কৰিছিল। ইজিপ্তৰ ৰজাক 'মানুহৰ ভগৱান' হিচাপে গণ্য কৰা হৈছিল। ৰজাৰ মূৰ্তি সাজি মন্দিৰ বা বিভিন্ন ধৰ্মীয় প্ৰতিষ্ঠানত ৰাখি পূজা কৰা হৈছিল। ইয়াৰ অৰ্থ এয়াই যে সমাজৰ বাবে ৰজাই আছিল সকলোতকৈ উচ্চ স্থানত। সেই সময়ত ইজিপ্তত তিনি শ্ৰেণীৰ মানুহ আছিল—উচ্চ শ্ৰেণী, মধ্য শ্ৰেণী আৰু নিম্ন শ্ৰেণী। উচ্চ শ্ৰেণীৰ লোকসকল হ'ল ৰজা, বিভিন্ন কৰ্মচাৰী, পূজাৰীসকল আৰু লেখকসকল। মধ্যশ্ৰেণীৰ লোক হ'ল—খেতিয়কসকল, স্থাপত্যবিদসকল, ব্যৱসায়ীসকল আৰু বিভিন্ন কামত কৰ্মৰত লোকসকল। নিম্নশ্ৰেণীৰ বুলি ক'লে যুদ্ধত পৰাজিত হৈ যুদ্ধবন্দী হিচাপে থাকি যোৱা লোকসকল। এওঁলোকক ভৃত্য হিচাপে ব্যৱহাৰ কৰা হৈছিল। বাসস্থানৰ বাবে পোনপ্ৰথমে ইজিপ্তবাসীয়ে পেপিৰাছ নামৰ গছ আৰু বোকা ব্যৱহাৰ কৰি ঘৰ সাজিছিল। তাৰ পাছত সূৰ্য্যৰ পোহৰত শুকোৱা বোকাৰে ইটা তৈয়াৰ কৰি সেই ইটাৰে ঘৰ সাজিছিল। সমাজৰ উচ্চ শ্ৰেণীৰ মানুহৰ ঘৰবোৰ বহুত ডাঙৰ আছিল আৰু ঘৰৰ সন্মুখত ডাঙৰ ফুলনি আৰু মাছৰ পুখুৰী ৰাখিছিল। সেই সময়ত তেওঁলোকৰ প্ৰধান খাদ্য আছিল ৰুটী আৰু এবিধ পনীয়া মাদক দ্ৰব্য। তদুপৰি তেওঁলোকে মাছ, মাংস, ফল-মূল, শাক-পাচলি, গাখীৰেৰে তৈয়াৰী সামগ্ৰী ইত্যাদিও খাদ্য হিচাপে গ্ৰহণ কৰিছিল।

জীৱন নিৰ্বাহৰ বাবে তেওঁলোকে খেতি কৰিছিল। খেতিৰ বাবে তেওঁলোক সম্পূৰ্ণভাৱে নীল নদীৰ বছৰি হোৱা বানপানীৰ ওপৰত নিৰ্ভৰশীল আছিল। এই বানপানী বছৰি ছেপ্টেম্বৰৰ পৰা অক্ট'বৰলৈ হৈছিল আৰু এই বানপানীৰ পিছতহে ইজিপ্তবাসীয়ে শান্তি অনুভৱ কৰিছিল। বানপানী অহাৰ আগতে তেওঁলোক ওখ ঠাইত শিবিৰ পাতিছিল আৰু শেষ হোৱাৰ পিছত আগৰ ঠাইলৈ

আহি খেতি কৰিছিল। লাহে লাহে তেওঁলোকে জলসিঞ্চনৰ কথা ভাবিবলৈ আৰম্ভ কৰিছিল। খেতিৰ মাটি ষাঁড় গৰুৰে চহাইছিল। তেওঁলোকৰ প্ৰধান কৃষি আছিল ঘেঁহু। তদুপৰি কপাহ, বিভিন্ন শাক-পাচলি, খেজুৰ, আপেল ইত্যাদিৰো খেতি কৰিছিল। খেতি-বাতিৰ উপৰি পশুপালনো কৰিছিল।

ইজিপ্তিয়ানসকলে প্ৰকৃতিক ভগৱান বুলি ভাবিছিল। সূৰ্য্যক পূজা কৰিছিল। আকাশ, চন্দ্ৰ ইত্যাদিকো পূজা কৰিছিল। ইজিপ্তত যেতিয়া কোনো মানুহৰ মৃত্যু হৈছিল তেওঁলোকে বিশ্বাস কৰিছিল যে "মৃত্যুৰ পিছতো জীৱন থাকে।" তেওঁলোকে মৃতদেহত ঔষধি দ্ৰব্য সানি তাৰ পাছত বগা কাপোৰেৰে গোটেই শৰীৰটো মেৰিয়াই কাঠৰ বাকচত সুমুৱাই ৰাখিছিল। ইয়াকে মামি (Mummy) বুলি কোৱা হৈছিল। সমাজৰ ৰজা বা কোনো ডাঙৰ উচ্চ শ্ৰেণীৰ মানুহৰ মৃত্যু হ'লে কাঠৰ বাকচটো সাজি পিৰামিডত ৰখা হৈছিল আৰু লগত বিভিন্ন খাদ্য, পানী, কাপোৰ, বিভিন্ন লাগতিয়াল সামগ্ৰী আদি থোৱা হৈছিল। কোনো কোনো পিৰামিডৰ উচ্চতা প্ৰায় ১৫০ মিটাৰ পৰ্য্যন্ত আছিল। এনে একোটা পিৰামিড সাজিবলৈ ১০ লাখৰো অধিক শিলৰ প্ৰয়োজন হৈছিল আৰু এটা শিলৰ ওজন প্ৰায় ১০০০ কিল'গ্ৰাম পৰ্য্যন্ত আছিল। পিৰামিডবোৰ সাজি তাত বিভিন্ন চিত্ৰ, যেনে—চিকাৰ, যুদ্ধ, জীৱন প্ৰণালী, যজ্ঞ ইত্যাদি খোদিত কৰা হৈছিল। ইজিপ্তৰ গিজাত সকলোতকৈ ডাঙৰ পিৰামিডটো পোৱা যায়।

যান-বাহনৰ ক্ষেত্ৰত তেওঁলোকে ডাঙৰ ডাঙৰ নাও ব্যৱহাৰ কৰিছিল। স্থলত চলাচল কৰিবলৈ উট ব্যৱহাৰ কৰিছিল। তেওঁলোকে সোণ, ঘেঁহু এইবোৰ বিক্ৰী কৰি বিনিময়ত তাম, টিন, তেল ইত্যাদি আমদানি কৰিছিল। পৃথিৱীৰ তেওঁলোকেই প্ৰথম আছিল যিয়ে শিলেৰে বিভিন্ন ধুনীয়া ধুনীয়া বস্তু নিৰ্মাণ কৰিব পাৰিছিল। বৰ্তমান যেনেকৈ বাঁহ গছৰ পৰা কাগজ তৈয়াৰ কৰা হয় ঠিক তেনেকৈ সেই দিনতেই ইজিপ্তত 'পেপিৰাছ' নামৰ গছ এবিধৰ পৰা কাগজ তৈয়াৰ কৰা হৈছিল। 'পেপাৰ' শব্দটো এই 'পেপিৰাছ'ৰ পৰাই আহিছে। তেওঁলোকেই প্ৰথম চিয়াহীৰ ব্যৱহাৰ কৰিছিল। তেওঁলোকে এবছৰত ৩৬৫ দিন ধাৰ্য্য কৰিছিল। এবছৰত ১২ মাহ আৰু প্ৰতি মাহত ৩০ দিনকৈ আৰু ৫ দিন কিবা উৎসৱ-পাৰ্বণৰ কাৰণে ৰাখিছিল। জোখ-মাখৰ বাবে বিভিন্ন যন্ত্ৰ নিজে সাজি ব্যৱহাৰ কৰিছিল। এইবোৰে পিৰামিড সজাত তেওঁলোকক যথেষ্ট সহায় কৰিছিল। তেওঁলোক জ্যোতিষশাস্ত্ৰতো পাৰ্গত আছিল আৰু ঘড়ীৰ ব্যৱহাৰ শিকি দিন-ৰাতিক সমানে ৯২টা ভাগ কৰিছিল।

ফেৰ' ৰেমাছেছৰ (১২৭৯-১২১২) দিনত ইজিপ্তীয়সকলে বহুত উন্নতি কৰিছিল। কিন্তু লাহে লাহে ইজিপ্তৰ অৱস্থা বেয়ালৈ ঢাল খাইছিল। তুৰ্কীৰ কাষৰ হিট্ৰিছ নামৰ জাতিটোৱে কৰা আক্ৰমণত ইজিপ্তৰ যথেষ্ট ক্ষতি হৈছিল। তাৰ পাছত ১০৭০ খৃ.ত মানুহৰ মাজত ৰজা কোন হ'ব তাক লৈ হোৱা মতবিৰোধত উত্তৰ ইজিপ্ত আৰু দক্ষিণ ইজিপ্তৰ মাজত হোৱা কাজিয়াই ইজিপ্তৰ সভ্যতা লাহে লাহে ধ্বংসৰ দিশলৈ আগ বঢ়ালে। ইজিপ্তৰ শেষ শাসক আছিল ক্লিঅ'পেট্ৰা। ৩০ খৃ.ত ইজিপ্ত সম্পূৰ্ণভাৱে ৰোমানৰ অধীনলৈ যায়। এনেদৰেই ইজিপ্তৰ সভ্যতাৰ অন্ত পৰিছিল। ❖

## কুইজৰ উত্তৰসমূহ

১) ছিংগাপুৰ। ২। ইথিঅ'পিয়া। ৩। ব্লমফণ্টেইন। ৪। মণিৰাম দেৱান। ৫। ড° ময়িদুল ইছলাম বৰা। ৬। ১৮৩৯ চনৰ ১০ জানুৱাৰীত। ৭। এমনেষ্টি ইণ্টাৰনেছনেল। ৮। ডেভিদ লিভিংষ্টোনে। ৯। ৰাভা। ১০। মহেন্দ্ৰনাথ ডেকা ফুকন। ১১। কথা গুৰুচৰিত পুথিত। ১২। বিগ বেন নামৰ ডাঙৰ বেলটো। ১৩। ছিয়েৰা লিঅ'ন। ১৪। পুলা (Pula)। ১৫। National Institute of Pharmaceutical Education and Research (NIPER)। ১৬। মানচেষ্টাৰ ইউনাইটেড। ১৭। ঐশ্বৰ্য্য ৰায়। ১৮। প্ৰফুল্ল চন্দ্ৰ ৰয়। ১৯। ড° ভীমৰাও ৰামজী আম্বেদকাৰ। ২০। ছোভিয়েট ৰাছিয়াই। ❖

নিবন্ধ

# অ' টি টি মঞ্চ

■ ৰুণুমী কলিতা

অ'ভাৰ দি টপ (Over-the-top) চমুকৈ অ' টি টি (OTT) এনে এক ব্যৱস্থা যাৰ যোগেদি দৰ্শক-শ্ৰোতাই ইণ্টাৰনেটৰ সহায়ত পোনপটীয়াকৈ নিজৰ স্মাৰ্টফ'ন, স্মাৰ্ট টিভি., টেবলেট, কম্পিউটাৰ, লেপটপ আদিত বিভিন্ন ভিডিঅ'-অডিঅ' সেৱা লাভ কৰিব পাৰে। অ' টি টি বুলিলে সাধাৰণতে এনে মঞ্চবোৰকে (platform) বুজা যায় য'ত ভিডিঅ' বা অন্য তেনে বিষয়বস্তু কেবল (cable) বা ছেটেলাইট টেলিভিছনৰ সহায় নোহোৱাকৈ অতি সহজে ইণ্টাৰনেটৰ সহায়ত পোনপটীয়াকৈ উপভোগ কৰিব পৰা যায়। ইণ্টাৰনেটৰ সহায়ত এই সেৱা উপভোগ কৰিব পাৰি বাবেই ইয়াক অ' টি টি মঞ্চ বুলি কোৱা হয়। Netflix, Amazon, Prime video, Disney Hotstar, Jio TV, Yutube আদি জনপ্ৰিয় অ' টি টি মঞ্চৰ উদাহৰণ।




অ' টি টি মঞ্চবোৰে ইণ্টাৰনেটৰ মাধ্যমেৰে কাম কৰে অৰ্থাৎ ইণ্টাৰনেট সেৱা ব্যৱহাৰ কৰি আমি মনে বিচৰা যিকোনো ভিডিঅ'-অডিঅ' বিষয়বস্তু চাব পাৰোঁ। এতিয়া কথাটো হ'ল অ' টি টি মঞ্চই কাম কৰে কেনেকৈ? ই এক ইণ্টাৰনেট আধাৰিত সেৱা য'ত ভিডিঅ' বা অন্য তেনে বিষয়বস্তু সংৰক্ষিত কৰা হয় আৰু দৰ্শক-শ্ৰোতাই নিজৰ সুবিধা অনুসৰি যিকোনো সময়ত সেয়া উপভোগ কৰিব পাৰে। যেনে, ইউটিউব এনে এক অ' টি টি মঞ্চ, য'ত হাজাৰ হাজাৰ ভিডিঅ'-অডিঅ' সংৰক্ষিত হৈ আছে। অ' টি টি মঞ্চবোৰে চি ডি এন (CDN, Content Delivery Network) নামৰ এক প্ৰযুক্তিৰ সহায়ত ইণ্টাৰনেটযোগে অনুষ্ঠানবোৰ সম্প্ৰচাৰিত কৰে। CDN প্ৰযুক্তিৰ সহায়ত অ' টি টি মঞ্চই নিজৰ উপভোক্তাসকলক (user) উন্নতমানৰ ভিডিঅ' সেৱা আগ বঢ়াবলৈ সক্ষম হয়। ক'ৰোনা মহামাৰীৰ সময়ত অধিক জনপ্ৰিয় হৈ উঠা এই ব্যৱস্থাটো এনেভাৱে তৈয়াৰ কৰা হৈছে যে দৰ্শক-শ্ৰোতাই যিকোনো সময়তে আৰু যিকোনো স্থানৰ পৰা সেয়া উপভোগ কৰিব পাৰে। অ' টি টি মঞ্চই নতুন নতুন প্ৰতিভা বিকাশৰ মঞ্চ প্ৰদান কৰাৰ লগতে নতুন নতুন বিষয়বস্তু সৃজনাত্মকভাৱে উপস্থাপন কৰিবলৈ সুবিধা দিছে। সম্প্ৰতি ই মনোৰঞ্জনৰ এক মুকলি মঞ্চ হিচাপে পৰিগণিত হোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় দৰ্শক লাভৰ এক সুবিধা প্ৰদান কৰিছে। কিন্তু এই ব্যৱস্থাৰ প্ৰধান অসুবিধা এয়ে যে অ' টি টি মঞ্চত সম্প্ৰচাৰিত অনুষ্ঠানবোৰ চলাবলৈ উচ্চ গতিবেগসম্পন্ন ইণ্টাৰনেট সেৱাৰ আৱশ্যক হয়। সেইদৰে অ' টি টি যোগে সম্প্ৰচাৰিত হোৱা অনুষ্ঠানবোৰৰ কোনো চেঞ্চৰ ব'ৰ্ড (censor board) নাথাকে। গতিকে তেনে অনুষ্ঠানৰ বিষয়বস্তুৱে মানুহৰ আৱেগ তথা সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে। ভিন্ন বিষয়বস্তুৰে সংৰক্ষিত হৈ থকা অ' টি টি মঞ্চবোৰৰ নিয়মীয়া গ্ৰাহক হোৱাকৈ ব্যয়বহুল, লগতে অ' টি টি যোগে সম্প্ৰচাৰিত হোৱা সকলো বিষয়বস্তু বহুতৰ বাবে গ্ৰহণযোগ্য নহ'বও পাৰে। কিন্তু এনেবোৰ অসুবিধা থকা সত্বেও ক'ভিডকালীন সময়ত অ' টি টি মঞ্চই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। যিখিনি সময়ছোৱাত মানুহৰ বাহিৰলৈ ওলাই গৈ থিয়েটাৰ, চিনেমা আদি উপভোগ কৰাটো প্ৰায় অসম্ভৱ যেন হৈ পৰিছিল, তেতিয়া অ' টি টি মঞ্চৰ আত্মপ্ৰকাশে বহু ক্ষেত্ৰত মানুহৰ মনোৰঞ্জনৰ পৃথিৱীখনৰ লগত পুনৰ এক সম্পৰ্ক গঢ়ি তুলিছিল। এনেদৰেই অ' টি টি মঞ্চ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত মনোৰঞ্জনৰ এক মাধ্যমৰূপে পৰিগণিত হৈছিল। ❖

# ৰংঘৰ, কাৰেংঘৰৰ নিৰ্মাণশৈলী

■ হিমাদ্ৰী বৰা



আহোমসকল টাই জাতিৰ অন্তৰ্গত এটা স্বাধীনচিতীয়া, সাহসী আৰু প্ৰবল প্ৰতাপী শাসকীয় গোষ্ঠী। ১২২৮ খৃষ্টাব্দত চাওলুং চুকাফাৰ নেতৃত্বত তেওঁলোকে অসমত আহোম ৰাজ্য স্থাপন হয়। ১২২৮ খৃষ্টাব্দৰ পৰা ১৮২৬ খৃষ্টাব্দলৈ প্ৰায় ৬০০ বছৰ ৰাজত্ব কৰা এই প্ৰতাপী জাতিটোৱে বৰ অসমৰ ভেটি গঢ়ি তোলাৰ লগতে অসমৰ লোকৰ মাজত সমন্বয়, ভাতৃত্ববোধ আৰু একতাৰ বীজ ৰোপণ কৰিছিল। চাওলুং চুকাফাই স্থাপন কৰা আহোম ৰাজ্যখনত আহোমৰ ৰাজত্ব কালত অসমৰ চুকে-কোণে নানান মঠ, মন্দিৰ, দৌল-দেৱালয়, আলি-পদূলি, পুখুৰী আদি নিৰ্মিত হৈছিল। এইসমূহে অসমৰ আহোম যুগৰ স্থাপত্যৰ নিদৰ্শন দাঙি ধৰে। আহোমৰ স্থাপত্য কলাৰ নিদৰ্শন আহোমৰ ৰাজধানী ৰংপুৰকে (বৰ্তমানৰ শিৱসাগৰ) ধৰি অসমৰ বহু ঠাইত অক্ষত অৱস্থাত ইতিহাসৰ স্বাক্ষৰ বহন কৰি আজিও জিলিকি আছে।

উল্লেখযোগ্য যে আহোম যুগৰ স্থাপত্যসমূহ এক নিৰ্দিষ্ট শৈলীত গঢ়ি উঠা স্থাপত্য নহয়। এইসমূহ বহুগঢ়ী তথা বিভিন্নতাৰ মাজেৰে গঢ় লোৱা স্থাপত্যৰ নিদৰ্শন বুলি ক'ব পাৰি। এই স্থাপত্যসমূহ বহুগঢ়ী হোৱাৰ কাৰণসমূহ বিচাৰ কৰি চালে দেখা যায় যে প্ৰাচীন কামৰূপত যি উন্নতমানৰ স্থাপত্যশৈলী আছিল, সময়ৰ অগ্ৰগতিত কোচ তথা আহোমৰ স্থাপত্য নিৰ্মাণৰ আৰম্ভণিৰ সময়লৈ তেনে স্থাপত্য কলাৰ শৈলী নোহোৱা হৈ পৰিছিল। আহোমৰ স্থাপত্য নিৰ্মাণৰ সময়ত ভাৰতবৰ্ষৰ উত্তৰ-পূবক বাদ বাকী অংশত তুৰ্কী-ইছলামীয় শাসকৰ শাসন চলিছিল। তেওঁলোকে প্ৰাচীন হিন্দু মন্দিৰকে আদি কৰি পুৰণি স্থাপত্যসমূহ ভাঙি ইছলামীয় আৰ্হিত স্থাপত্য নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। সেয়ে আহোমসকলৰ আগত স্থাপত্য কলাৰ কোনো আৰ্হি তথা আগতীয়া নিদৰ্শন নথকাত মুছলমানসকলে নিৰ্মাণ কৰা স্থাপত্যকে আৰ্হি হিচাপে ল'ব লগা হৈছিল। আহোমসকলে স্থাপত্য নিৰ্মাণ হিন্দু ধৰ্মীয় চিন্তা-চেতনা অনুসৰি কৰিলেও অৱধাৰিতভাৱে ইছলামীয় স্থাপত্যৰ শৈলীৰ প্ৰভাৱ পৰিছিল। তদুপৰি আহোমসকলে স্থাপত্য নিৰ্মাণৰ বাবে মুছলমান কাৰিকৰ আমদানি কৰিছিল। সেয়ে আহোম যুগত নিৰ্মাণ হোৱা স্থাপত্যসমূহক হিন্দু-ইছলামৰ এক সংমিশ্ৰিত নিৰ্মাণশৈলী তথা বহুগঢ়ী কলাৰ নিদৰ্শন বুলি ক'ব পাৰি।

আহোম যুগৰ স্থাপত্য কলাসমূহৰ ভিতৰত ৰংপুৰ তথা শিৱসাগৰ চহৰৰ পৰা ৩ কিল'মিটাৰমান নিলগত অৱস্থিত ৰংঘৰ আৰু ১৫ কিল'মিটাৰমান আঁতৰত গড়গাঁৱত অৱস্থিত কাৰেংঘৰ হৈছে উচ্চ স্থাপত্য কলাৰ নিদৰ্শন। তদুপৰি শিৱসাগৰ চহৰৰ পৰা ৫ কিল'মিটাৰমান দূৰৈত অৱস্থিত আৰু এটি ৰাজঅট্টালিকা 'তলাতল ঘৰ', ৰংপুৰৰ কাৰেংঘৰ, আহোম যুগৰ স্থাপত্য কলাসমূহৰ ভিতৰত এটি লেখত ল'বলগীয়া আৰু উচ্চ পৰ্য্যায়ৰ স্থাপত্য কলা।

প্ৰথম অৱস্থাত আহোমৰ এই স্থাপত্যসমূহ কাঠ, বাঁহেৰে নিৰ্মাণ কৰা হৈছিল। পোন্ধৰ শতিকামানৰ পৰাহে আহোম স্বৰ্গদেউসকলে অসমত স্থায়ী স্থাপত্য নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। সেই স্থাপত্যসমূহ নিৰ্মাণ কৰিবলৈ শিল, ইটা, গুৰ, মাটিমাহ, বৰা চাউল, শণ, শিলচুণ, শামুক চুণ, ধূনা, বৰালি মাছ, সৰিয়হৰ তেল, মাছৰ তেল, জোক, ইটাগুড়ি, চকা চুণ, বেলৰ আঠা, হাঁহকণী, ধেতুৰ আদি বিভিন্ন প্ৰাকৃতিক দ্ৰব্য ব্যৱহাৰ হৈছিল। অৰ্থাৎ

স্থাপত্যবোৰ সাজিবলৈ এই প্ৰাকৃতিক উপাদানবোৰেৰে কৰাল প্ৰস্তুত কৰি লোৱা হৈছিল। আজিকালি ঘৰ সাজিবলৈ ব্যৱহাৰ কৰা চিমেণ্টৰ পৰিবৰ্তে এই কৰাল ব্যৱহাৰ কৰা হৈছিল। কৰাল প্ৰস্তুত কৰিবলৈ কিছুমান গাঁত খান্দি লোৱা হৈছিল, যাক 'কৰাল গাঁত' বুলি কোৱা হয়। গাঁতবোৰ নিৰ্দিষ্ট আয়তন বা জোখ অনুসৰি খান্দি লোৱা হৈছিল। সেই গাঁতসমূহত পৃথকে পৃথকে কৰাল প্ৰস্তুতকৰণৰ সামগ্ৰীসমূহ গোৱাই থোৱা হৈছিল। সামগ্ৰীসমূহ গেলি নোযোৱালৈকে গোৱাই থোৱা হৈছিল। প্ৰায় এমাহ পৰ্য্যন্ত 'কৰাল গাঁত'তে সামগ্ৰীসমূহ ৰখা হৈছিল। পাছত সামগ্ৰীসমূহ এক বিশেষ পৰিমাণ বা জোখ অনুযায়ী মিহলি কৰি কৰাল প্ৰস্তুত কৰা হৈছিল। এই কৰালেৰে নিৰ্মাণ কৰা স্থাপত্য যে দীৰ্ঘস্থায়ী হয় ইয়াৰ প্ৰমাণ আহোম যুগৰ স্থাপত্য কলাসমূহ।

এনে কৰাল আৰু চেপেটা গঢ়ৰ ইটাৰে নিৰ্মাণ কৰা উচ্চ পৰ্য্যায়ৰ স্থাপত্য হ'ল ৰংঘৰ। এই ৰংঘৰটো স্বৰ্গদেউ ৰুদ্ৰ সিংহই কাঠেৰে নিৰ্মাণ কৰিছিল। এই ঘৰটো শিৱসাগৰৰ ৰূপহী পথাৰত অৱস্থিত। আহোম ৰজা স্বৰ্গদেউ প্ৰমত্ত সিংহৰ দিনত ১৭৪৬ চনত সজোৱা স্থায়ী ৰংঘৰটোৱেই বৰ্তমানৰ ৰংঘৰটো।

ৰংঘৰটোৰ নিৰ্মাণশৈলীত ইছলামীয় প্ৰভাৱ বিদ্যমান। তদুপৰি ইয়াৰ নিৰ্মাণশৈলীৰ লগত উত্তৰ বাৰ্মা, লাওচ, দক্ষিণ চীন, উত্তৰ ভিয়েটনামৰ ঘৰবোৰৰ সাদৃশ্য দেখা যায়। ৰংঘৰ অষ্টভুজ আকৃতিৰ। ৰংঘৰৰ চাল অৰ্দ্ধ-বৃত্তাকাৰ আৰু চালৰ ওপৰত দুফালে দুটা মগৰৰ মূৰ্তি আৰু তাৰ মাজতে তিনিটা সৰু দ'ল আছে। ঘৰটোৰ চালখনৰ ওপৰ অংশ ওভতাই থোৱা নাও এখনৰ দৰে দেখা যায়। এই ৰংঘৰটোৰ ওপৰ মহলাতে বহি আহোম স্বৰ্গদেউসকলে সমুখৰ পথাৰত অনুষ্ঠিত হোৱা ম'হ যুঁজ, মাল যুঁজ চাইছিল। উল্লেখনীয় যে এই ৰংঘৰকেই এছিয়া মহাদেশৰ প্ৰথম এম্ফিথিয়েটাৰ (amphitheatre) বুলি ক'ব পাৰি।

আহোম যুগৰ স্থাপত্য কলাৰ আন এটি উচ্চস্তৰীয় স্থাপত্য হ'ল কাৰেংঘৰ। গড়গাঁৱত অৱস্থিত পিৰামিড আকৃতিৰ এই ৰাজমহলটো পোনপ্ৰথমে ১৫৪০ খৃষ্টাব্দত চুক্লেংমুং বা গড়গঞা ৰজাই নিৰ্মাণ কৰিছিল। সেই



সময়ত কাৰেংঘৰটো কাঠ আৰু বাঁহেৰে নিৰ্মিত আছিল। পিছত প্ৰমত্ত সিংহ স্বৰ্গদেৱে ইটাৰে নিৰ্মাণ কৰিছিল যদিও ই ক্ষতিগ্ৰস্ত হোৱাৰ বাবে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৭৫২ খৃষ্টাব্দত পুনৰ নিৰ্মাণ কৰিছিল।

কাৰেংঘৰটো সাত মহলীয়া এটি ৰাজঅট্টালিকা। এই ঘৰটোৰ মাটিৰ তলত দুটা মহলা আৰু ওপৰত পাঁচটা মহলা আছিল। প্ৰাপ্ত তথ্য অনুসৰি ওপৰত থকা পাঁচটা মহলাৰ তলৰ মহলাটো ইংৰাজ শাসনৰ সময়ত মাটিৰে পুতি পেলোৱা হৈছিল। উল্লেখ্য যে কাৰেংঘৰৰ একেবাৰে তলৰ মহলাৰ পৰা শিৱসাগৰৰ তলাতল ঘৰলৈ আৰু দিখৌ নদীলৈ আহিব পৰাকৈ এটা সুৰংগ আছিল। আহোম ৰাজত্বকালৰ তৃতীয় ৰাজধানী গড়গাঁও নগৰত নিৰ্মাণ কৰা এই কাৰেংঘৰটো কাঠ-বাঁহেৰে নিৰ্মিত অৱস্থাত দীঘে ১২০ হাত আৰু পথালিয়ে ৩০ হাত আছিল। ঘৰটোৰ খুঁটাবোৰ ঘূৰণীয়া হোৱাৰ লগতে কাৰুকাৰ্য্যখচিত আছিল। চালবোৰ কাঠৰ আছিল। এই ঘৰটো নিৰ্মাণ কৰিবলৈ মুঠ ১২,০০০ অসমীয়া বাঢ়ৈক সম্পূৰ্ণ এবছৰ সময় লাগিছিল।

আহোমৰ স্থাপত্যসমূহ নিৰ্মাণৰ তদাৰকৰ দায়িত্ব চাংৰুংগ ফুকন নামৰ বিষয়াক দিয়া হৈছিল। তেওঁ স্থাপত্যসমূহৰ নিৰ্মাণৰ পৰিকল্পনা, নিৰ্মাণশৈলী, জোখ-মাপ আৰু আৱশ্যকীয় সামগ্ৰীৰ হিচাপ নিৰীক্ষকৰ দায়িত্ব বহন কৰিব লগা হৈছিল। এইখিনিতে উল্লেখ কৰিবলগীয়া যে ৰংপুৰ তথা বৰ্তমানৰ শিৱসাগৰ নগৰৰ স্থাপত্যকলাসমূহ নিৰ্মাণ কৰিবলৈ ৰুদ্ৰ সিংহ স্বৰ্গদেৱে কোচবিহাৰৰ পৰা ঘনশ্যাম খনিকৰ নামৰ এজন কাৰিকৰক আমন্ত্ৰণ কৰি আনিছিল। ❖

# কেইগৰাকীমান প্ৰখ্যাত ভাৰতীয় শিক্ষক

■ অভিজিত শৰ্মা বৰুৱা



সুদূৰ অতীতৰে পৰাই ভাৰতত শিক্ষকসকলক এক বিশেষ মৰ্য্যাদা দি অহা হৈছে। এক পৌৰাণিক শ্লোকত কোৱা হৈছে—

গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰ,

গুৰু সাক্ষাৎ পৰমব্ৰহ্ম, তস্ময় শ্ৰী গুৰুৱে নমহঃ।

অৰ্থাৎ মই মোৰ সেই গুৰুলৈ সশ্ৰদ্ধ প্ৰণাম আগ বঢ়াইছোঁ, যাৰ স্থান ব্ৰহ্মা, বিষ্ণু আৰু মহাদেৱৰ স্থানৰ লগততহে তুলনীয়। পৰমব্ৰহ্মৰ বিষয়েও জ্ঞান যাৰ আছে, সেই গুৰুৰ আগত মই ভক্তিত মূৰ দোঁৱাইছোঁ।

প্ৰখ্যাত শিক্ষাবিদ, ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন ৫ ছেপ্টেম্বৰৰ দিনটো প্ৰতি বছৰে শিক্ষক দিৱস হিচাপে উদ্‌যাপন কৰা হৈ আহিছে। ১৯৬২ চনত তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতি হৈ থাকোঁতেই তেওঁৰ কিছু ছাত্ৰ আৰু বন্ধুৱে তেওঁৰ জন্মদিনটো পালন কৰিবৰ বাবে তেওঁৰ অনুমতি বিচাৰিলে। তেতিয়া ৰাধাকৃষ্ণণে ক'লে যে তেওঁৰ জন্মদিনটো বেলেগ হিচাপে পতাতকৈ সেই দিনটো ‘শিক্ষক দিৱস’ হিচাপে পালন কৰিলে তেওঁ নিজে গৌৰৱ অনুভৱ কৰিব। ৰাধাকৃষ্ণণৰ সেই অনুৰোধৰ পৰাই জানিব পৰা যায় যে তেওঁ শিক্ষকতা বৃত্তিটোক কিমান ভাল পাইছিল। তেতিয়াৰে পৰা ভাৰতত সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন ৫ ছেপ্টেম্বৰক ‘শিক্ষক দিৱস’ হিচাপেই পালন কৰা হৈ আহিছে।

এইবাৰৰ শিক্ষক দিৱস উপলক্ষে আমি ভাৰতৰ বিভিন্ন সময়ৰ চাৰিজন কৃতী শিক্ষাদাতাকে স্মৰণ কৰোঁ।

**সাৱিত্ৰীবাই ফুলে :** আমাৰ দেশ বৃটিছৰ অধীনত থকাৰ সময়ত মহিলাৰ শিক্ষা-দীক্ষা তথা সমস্যাসমূহৰ বিষয়ে চৰ্চা কম হৈছিল। ঊনবিংশ শতিকাৰ ভাৰতত সাৱিত্ৰীবাই ফুলেই সকলো পৰম্পৰাগত পদ্ধতি ওফৰাই এক নতুন চিন্তাধাৰাৰ জন্ম দিবলৈ সক্ষম হৈছিল।

১৮৩১ চনৰ ৩ জানুৱাৰীত মহাৰাষ্ট্ৰৰ ছাটাৰা জিলাৰ নাইগাঁৱত সাৱিত্ৰীবাই ফুলেৰ জন্ম হৈছিল। ৯ - ১০ বছৰ বয়সতে তেওঁৰ জ্যোতিৰাও ফুলেৰ লগত বিয়া হয়। বিয়াৰ সময়ত সাৱিত্ৰীবাই স্কুললৈ যোৱা নাছিল আৰু নিৰক্ষৰ আছিল। শিক্ষাৰ প্ৰতি তেওঁৰ আগ্ৰহ দেখি পতি জ্যোতিৰাওৱে তেওঁৰ পঢ়াৰ ব্যৱস্থা কৰি দিয়ে। প্ৰয়োজনীয় শিক্ষা লাভ কৰাৰ পাছত সাৱিত্ৰীবায়ে দুটা শিক্ষকৰ প্ৰশিক্ষণ কাৰ্য্যসূচীতো ভাগ লয়। প্ৰশিক্ষণ পোৱাৰ পাছত সাৱিত্ৰীবাই ভাৰতৰ প্ৰথম অৰ্হতাসম্পন্ন মহিলা শিক্ষয়িত্ৰী (আৰু পাছত প্ৰধান শিক্ষয়িত্ৰী) হিচাপে পৰিগণিত হয়।

শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ পোৱাৰ পাছত সাৱিত্ৰীবাই ফুলেই পুনেৰ মাহাৰবাড়াত ছোৱালীবোৰক পঢ়ুৱাবলৈ আৰম্ভ কৰে। পাছত শগুনবাই ক্ষীৰসাগৰ আৰু স্বামী জ্যোতিৰাও ফুলেৰ লগ লাগি ভিডে ৱাড়া নামৰ এখন ঠাইত নিজাকৈ এখন বিদ্যালয় স্থাপন কৰে। তাৰ পাছত ওচৰতে আন দুখন বিদ্যালয়ো স্থাপন কৰা হয়। এই তিনিওখন বিদ্যালয়ত মুঠ প্ৰায় ডেৰশ ছাত্ৰীয়ে অধ্যয়ন কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে তেওঁলোকৰ সফলতাৰ বাবে তেওঁলোক স্থানীয় কিছু লোকৰ নিৰ্য্যাতনৰ সমুখীনহে হৈছিল। মুখামুখি হৈ একো কৰিব নোৱাৰিলেও দূৰৰ পৰাই অশ্ৰাব্য গালি, গোবৰ-শিল আদি নিক্ষেপ কৰা হৈছিল। সেইবাবে সাৱিত্ৰীবায়ে তেওঁৰ

মোনাত এখন অতিৰিক্ত শাৰীও লৈ ফুৰিবলগীয়াও হৈছিল।

স্বামীৰ সৈতে লগ হৈ সাৱিত্ৰীবায়ে জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোকে শিক্ষা প্ৰদান কৰিছিল আৰু মুঠতে ১৮ খন স্কুল স্থাপন কৰিছিল। সেই আটাইকেইখন বিদ্যালয়ৰ শিক্ষা পদ্ধতি যথেষ্ট উন্নত আছিল। তেওঁলোকৰ সন্তান নাছিল যদিও তেওঁলোকে এগৰাকী ব্ৰাহ্মণ বিধৱাৰ পুত্ৰ যশোৱন্তৰাওক তুলি লৈছিল।

সাৱিত্ৰীবাই আৰু তেওঁৰ পুত্ৰ যশোৱন্তৰাওৱে বুবনিক প্লেগৰ তৃতীয়টো সংক্ৰমণৰ সময়ত চিকিৎসা কৰিবলৈ এক ক্লিনিক খুলিছিল। সেই সময়তে সাৱিত্ৰীবায়ে খবৰ পালে যে পাণ্ডুৰাং বাবাজী গায়কোবাড়ৰ পুত্ৰৰ প্লেগ হৈছে। তেওঁ লগে লগে তালৈ গৈ নিজে কান্ধত তুলি তেওঁক ক্লিনিকলৈ লৈ গৈছিল। পাছে এই প্ৰক্ৰিয়াত সাৱিত্ৰীবাইৰ শৰীৰলৈও প্লেগ সংক্ৰমণ হয় আৰু ১৮৯৭ চনৰ ১০ মাৰ্চত তেওঁৰ মৃত্যু হয়।

**কেশৰ ছৰণ :** কেশৰ ছৰণৰ জন্ম উত্তৰ প্ৰদেশৰ ৰামপুৰ জিলাৰ খাৰদিয়া নামৰ এখন ভিতৰুৱা গাঁৱত। কেশৰ ছৰণৰ গাঁৱৰ পৰা আটাইতকৈ ওচৰৰ বিদ্যালয়খনেই আছিল ২৫ কিল'মিটাৰ দূৰত। মূলতঃ যাতায়াতৰ অসুবিধাৰ বাবেই তেওঁ নৱম শ্ৰেণীৰ ঊৰ্দ্ধত পঢ়িব নোৱাৰিলে। ১৫ বছৰ বয়সৰ পৰাই ছৰণে খেতি কৰিবলৈ লয়।

বিদ্যাশিক্ষাৰ প্ৰতি আগ্ৰহ কেশৰ ছৰণৰ মনৰ পৰা কিন্তু নগ'ল। তেওঁ তেনেকৈ কেৱল খেতি কৰিয়েই সময়বোৰ কটাবলৈ নিবিচাৰিলে আৰু কিবা এটা কৰাৰ কথা ভাবিলে। তেওঁ যি শিক্ষা পাইছিল, সেইখিনি ব্যৱহাৰ কৰি তেওঁ গাঁৱৰ ল'ৰা-ছোৱালীবোৰক বিজ্ঞান, গণিত আৰু সাহিত্য পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। প্ৰথম অৱস্থাত তেওঁৰ ওচৰলৈ ছয়-সাতটা ল'ৰা-ছোৱালী আহিল। পাছে এই সংখ্যা ক্ৰমে বাঢ়ি গ'ল।

কম সময়ৰ ভিতৰতে তেওঁৰ দুকোঠলীয়া ঘৰটোত শিক্ষা গ্ৰহণ কৰিবলৈ ২০০ মান ছাত্ৰ-ছাত্ৰী গোট খালে। ১৯৮৯ চনত কেশৰে তেওঁৰ কৃষিভূমিতে এখন ডাঙৰ বিদালয় স্থাপন কৰিবলৈ সিদ্ধান্ত ল'লে। কিছুদিনৰ ভিতৰতে সেই বিদ্যালয়ত ছাত্ৰসংখ্যা হ'লগৈ প্ৰায় ১২০০। এতিয়া ১৩২০ জন ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা সেই বিদ্যালয়ে ইণ্টাৰ কলেজৰ মৰ্য্যাদা লাভ কৰিছে। বিদ্যালয়খনত ছাত্ৰীৰ সংখ্যাও যথেষ্ট (৬৩০)।

এবাৰ এক সাক্ষাৎকাৰত কেশৰে জানিবলৈ দিছিল — "মই নিবিচাৰোঁ যে মোৰ ক্ষেত্ৰত মই যি সমস্যাৰ সমুখীন হৈছিলোঁ, মোৰ গাঁৱৰ আন কোনো ল'ৰা-ছোৱালীয়ে তেনে সমস্যা পাওক। মোৰ লক্ষ্য হ'ল সকলোৰে যাতে শিক্ষা লাভ কৰে আৰু এই ক্ষেত্ৰত মই যে যথেষ্ট সফল হৈছোঁ, তাৰ বাবে মই সুখী।"

**আলোক সাগৰ :** আলোক সাগৰ আছিল দিল্লী আই আই টিৰ এজন অধ্যাপক। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ প্ৰাক্তন গৱৰ্ণৰ ৰঘুৰাম ৰাজন এসময়ত তেওঁৰে ছাত্ৰ আছিল। ১৯৮২ চনত তেওঁ সেই সন্মানজনক চাকৰি বাদ দি মধ্য প্ৰদেশৰ জনজাতীয় লোকসকলৰ মাজত শিক্ষাৰ প্ৰসাৰ কৰিবলৈ ওলাই আহে।

আলোক সাগৰে দিল্লী আই আই টিৰ পৰাই স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ হাউষ্ট'ন বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ দিল্লী আই আই টিৰ অধ্যাপকৰ পদত যোগদান কৰে।

কিন্তু প্ৰকৃতিৰ আহ্বান আৰু জনজাতীয় মানুহখিনিৰ উন্নতিৰ চিন্তাই তেওঁক বেছিদিন অধ্যাপকৰ স্বাচ্ছন্দ্যৰ জীৱনত বান্ধি ৰাখিব নোৱাৰিলে। তেওঁ এই আটাইবোৰ বান্ধোন ছিঙি মধ্যপ্ৰদেশৰ এখন ভিতৰুৱা গাঁৱত বাস কৰিবলৈ ল'লে। তেওঁ যোৱা ৩০ বছৰে বেটুল জিলাৰ কোচামু গাঁৱত বাস কৰি আছে। সেই গাঁৱত বিদ্যুতৰ সংযোগ নাই আৰু ৰাস্তা-ঘাটৰ ব্যৱস্থাও নাই। কিন্তু তাতে ৭৫০ জনমান জনজাতীয় লোকে বাস কৰি আছে। আলোক সাগৰে তেওঁলোকৰ জীৱনধাৰাৰ লগতে মিলি একেলগে কাম কৰি আছে। তেওঁ স্থানীয় ভাষাও শিকি লৈছে।

অধ্যাপক আলোক কুমাৰে তাত থাকি স্থানীয়

ল'ৰা-ছোৱালীবোৰক শিক্ষাদানৰ ব্যৱস্থা কৰিছে। তেওঁ তাৰ জনজীৱনৰ লগত মিলি বিভিন্ন উন্নয়নমূলক কামতো ভাগ লৈ আহিছে। সেই এলেকাত তেওঁ ৫০,০০০তকৈও বেছি গছপুলি ৰোপণ কৰিছে। তেওঁ দিনে ৬০ কিল'মিটাৰ পৰ্য্যন্ত চাইকেল চলাই ওচৰ-পাঁজৰৰ গাঁওবোৰত উন্নত বীজ বিতৰণ কৰি আহিছে। তাৰ উপৰি তেওঁ গাঁওসমূহৰ বিকাশ, শিক্ষাৰ প্ৰসাৰ আদিৰ বাবে নানা পৰিকল্পনাও যুগুত কৰিছে।

**ইমৰাণ খান :** মহম্মদ ইমৰাণ খানৰ জন্ম ১৯৭৮ চনৰ ১৭ মে'ত আলবাৰ জিলাৰ খাৰেডাত। তেওঁ সংস্কৃত এডুকেছন ডিপাৰ্টমেণ্টৰ গণিত বিভাগৰ শিক্ষক। ইমৰাণ খানে 'ডিজিটেল ইণ্ডিয়া' আৰু 'ই-লাৰ্নিঙ'ৰ ক্ষেত্ৰত নিজৰ অৱদান আগ বঢ়াই ভাৰতৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়লৈ বিনামূলীয়াকৈ ৫২টা শৈক্ষিক এপ দান কৰিছে। এই এপকেইটাৰ আনুমানিক দাম ৩.৩২ কোটি টকা।

তেওঁৰ এপবোৰ আশ্চৰ্য্যজনকভাৱে প্ৰতি দিনে প্ৰায় ৩০ লাখ ডাউনল'ড কৰা হয় আৰু দৈনিক 'ভিউ'ৰ সংখ্যা প্ৰায় চাৰি কোটি।

ছাত্ৰ-ছাত্ৰীৰ বাবে শৈক্ষিক এণ্ড্ৰইড এপ প্ৰস্তুত কৰাৰ সিদ্ধান্ত মনতে লৈ ইমৰাণ খানে বহু বছৰ আগৰে পৰা এই কাম কৰি আহিছে। তেওঁ প্ৰথম ৱেবছাইট gktalk.com ২০০৫ চনত ডিজাইন কৰে। সেই সময়ত খানৰ ওচৰত 'এপ্লিকেছন' সম্পৰ্কত বিশেষ ধাৰণা নাছিল। কিন্তু তেওঁ নিজে নিজে পঢ়া-শুনা কৰি এই বিষয়ে জ্ঞান আহৰণ কৰি গ'ল আৰু ২০১২ চনত তেওঁ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'NCERT Learn Science' নামেৰে প্ৰথম এপটোৰ আৰম্ভণি কৰে। এই এপটোৱে ৰাজ্যখনত প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। এই সফলতাই খানক এনে ধৰণৰ অধিক এপ বিকাশ কৰিবলৈ অনুপ্ৰাণিত কৰে। এপসমূহ তৈয়াৰ কৰোঁতে তেওঁ হিন্দী ভাষা ব্যৱহাৰ কৰিছিল, কাৰণ ইংৰাজী ভাষাত এনে ধৰণৰ এপ কেবাটাও আছিল।

২০১৫ চনৰ নৱেম্বৰত লণ্ডনৰ ৱেম্বলী ষ্টেডিয়ামত ভাষণ দিওঁতে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছিল— "মাই ইণ্ডিয়া ইজ ইন ইমৰাণ খান অব আলৱাৰ।" তাৰ পাছৰ পৰাই ইমৰাণ খানে ৰাষ্ট্ৰীয় পৰ্য্যায়ত মনোযোগ পাবলৈ আৰম্ভ কৰিলে।

তেওঁৰ কৃতিত্বৰ বাবে ইমাৰাণ খানে কে'বাটাও পুৰস্কাৰ লাভ কৰিছে। তাৰ ভিতৰত আছে—ভামাছাহ পুৰস্কাৰ (২০১৬), নেছনেল আই চি টি পুৰস্কাৰ (২০১৬), শিক্ষকৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ (২০১৮), যমুনালাল বাজাজ পুৰস্কাৰ (২০১৯) আদি। ❖



# সুৰক্ষাৰ XYZ

■ নিবেদিতা তালুকদাৰ

দেশৰ প্ৰতিজন নাগৰিককে সুৰক্ষা প্ৰদান কৰা চৰকাৰৰ দায়িত্ব। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, সেনা প্ৰধান, ৰাজ্যপাল, মুখ্যমন্ত্ৰী, কেবিনেট মন্ত্ৰী, উচ্চ পদবিশিষ্ট ব্যক্তি কিছুমানক বিশেষ সুৰক্ষা প্ৰদান কৰাটো প্ৰয়োজনীয়। তদুপৰি কোনো ব্যক্তিৰ যদি জীৱন বিপদাপন্ন হয় আৰু ব্যক্তিজনে বিশেষ সুৰক্ষাৰ বাবে আবেদন কৰে, সেই ব্যক্তিজনৰ আবেদনৰ আধাৰত সুৰক্ষা প্ৰদান কৰা হয়। সেই ব্যক্তিজনক কি স্তৰত সুৰক্ষা প্ৰদান কৰিব সেয়া চৰকাৰে নিৰ্দ্ধাৰণ কৰে। বিভিন্ন সমীক্ষাৰ অন্তত কাক কোন স্তৰৰ সুৰক্ষা প্ৰদান কৰিব সেয়া চৰকাৰৰ গৃহ মন্ত্ৰালয়ে নিৰ্ণয় কৰে।

তলত উল্লেখ কৰা এজেঞ্চিসমূহে বিভিন্ন ব্যক্তিক এনে সুৰক্ষা প্ৰদান কৰে। এছপিজি (SPG, Special




Protection Group), এনএছজি (NSG, National Security Guards), আইটিবিপি (ITBP, Indo-Tibetan Border Police), ছিআৰপিএফ (CRPF, Central Reserve Police Force)।

ভাৰতত প্ৰদান কৰা সুৰক্ষা ব্যৱস্থাক ছটা স্তৰত ভাগ কৰা হৈছে। SPG, Z+, Z, Y+, Y আৰু X। কোনজন ব্যক্তিক কি স্তৰৰ সুৰক্ষা প্ৰদান কৰিব লাগে আৰু সেই সুৰক্ষাত কি কি ব্যৱস্থা থাকিব দুখন নথিত লিপিবদ্ধ কৰা আছে। সেই দুখন হ'ল—ব্লু বুক (Blue Book) আৰু য়েল্ল' বুক (Yellow Book)। ব্লু বুকত ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ সুৰক্ষাৰ নিৰ্দেশনা থাকে। আনহাতে, য়েল্ল' বুকত বাকী ৰাজনৈতিক নেতা, বিশিষ্ট ব্যক্তিৰ সুৰক্ষাৰ নিৰ্দেশিকা পোৱা যায়। বিভিন্ন চোৰাংচোৱা সংস্থাৰ তথ্য অনুসৰি ভাৰতত কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ গৃহ বিভাগে এই সুৰক্ষা প্ৰদান কৰে।

বৰ্তমান এছপিজি (SPG) সুৰক্ষা কেৱল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে লাভ কৰে। এইটো উচ্চ স্তৰৰ সুৰক্ষা। ১৯৮১ চনলৈ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ সুৰক্ষা দিল্লী পুলিচ আৰু এছটিএফ (Special Task Force)য়ে প্ৰদান কৰিছিল। কিন্তু ১৯৮৪ চনত ভাৰতৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছত সুৰক্ষা ব্যৱস্থা বঢ়াবলৈ গৃহ বিভাগে এখন কমিটি গঠন কৰিছিল, তাৰ নাম আছিল বীৰবল নাথ কমিটি। এই কমিটিৰ অনুমোদন ক্ৰমে ১৯৮৫ চনৰ এপ্ৰিল মাহত এই এছপিজি গঠন কৰা হৈছিল। এই পদ্ধতিত এছপিজি আৰু এন.এছ.জি.ৰ কৰ্মীসকলে প্ৰধানমন্ত্ৰীক সুৰক্ষা প্ৰদান কৰিছিল। এছপিজিৰ কৰ্মীসকলক বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়। তেওঁলোকে ক'লা ছান-গ্লাছ আৰু ক'লা কোট-পেণ্ট পিন্ধি থাকে। বিশেষ উৎসৱ-পাৰ্বণত ছাফাৰী-ছুটো পিন্ধে। ক'লা ছান-গ্লাছ পিন্ধাৰ কাৰণ হ'ল তেওঁলোকে কোনফালে চাইছে যাতে কোনেও গম নাপায়।

Z+ সুৰক্ষা ব্যৱস্থাত ৫৫ জন সদস্য থাকে, যাৰ ভিতৰত ১০ জন এনএছজি কমাণ্ডো আৰু বাকীবোৰ পুলিচ বিষয়া। প্ৰতিজন সদস্য সমৰকলা (Martial Art) প্ৰশিক্ষণপ্ৰাপ্ত। আইটিবিপি আৰু চিআৰপিএফৰ জোৱানো এই সুৰক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত হয়। এই সদস্যসকলৰ ওচৰত মেচিনগান আৰু আধুনিক যোগাযোগৰ মাধ্যম থাকে। অমিত শ্বাহ, যোগী আদিত্য নাথ, ৰাহুল গান্ধী, ড° হিমন্ত বিশ্ব শৰ্মা আদিকে ধৰি পূৰ্ব প্ৰধানমন্ত্ৰী, কেইগৰাকীমান কেবিনেট মন্ত্ৰী, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ আদি ৪০ জন ভাৰতীয়ক বৰ্তমান এই সুৰক্ষা প্ৰদান কৰা হৈছে।

Z সুৰক্ষা ব্যৱস্থাত ২২ গৰাকী সুৰক্ষা কৰ্মী জড়িত হৈ থাকে, তাৰে ৪-৫ জন এনএছজি কৰ্মী। এই সুৰক্ষা দিল্লী পুলিচ, আইটিবিপি আৰু চিআৰপিএফে প্ৰদান কৰে। বাবা ৰামদেৱ, আমিৰ খান আদিকে ধৰি বহুতো ব্যক্তিক Z সুৰক্ষা প্ৰদান কৰা হৈছে।

Y+ সুৰক্ষা ব্যৱস্থাত ১১ জন সদস্য থাকে। তাৰে ১-২ গৰাকী এন.এছ.জি. কৰ্মী। ২গৰাকী পিএছঅ' (PSO, Personal Security Officer) থাকে। এই সুৰক্ষা ব্যৱস্থা ঘাইকৈ চিআৰপিএফৰ দায়িত্বত থাকে।

X সুৰক্ষা ব্যৱস্থাত ২-৩ গৰাকী পুলিচ বিষয়া থাকে। ভাৰতত সুৰক্ষা প্ৰদান কৰা সৰহসংখ্যক ব্যক্তিকে X বা Y সুৰক্ষা প্ৰদান কৰা হৈছে। ❖

নিবন্ধ

# টাইম বেংক

■ অপৰ্ণা দেৱী

সময় গতিশীল। সেই গতিশীল সময়কো স্থিৰৰ কৰি ৰাখিব পাৰি, জমা কৰি ৰাখিব পাৰি টাইম বেংক নামৰ এটি প্ৰকল্পৰ জৰিয়তে। টাইম বেংক এটা সামাজিক প্ৰকল্প।

বিত্তীয় অনুষ্ঠান বেংকত টকা জমা ৰখাৰ সুবিধা থাকে। সেইবাবে মানুহে উপাৰ্জনৰ সঞ্চিত ধনৰাশি বেংকত জমা থয়। টাইম বেংকত টকা-পইছা জমা ৰখাৰ পৰিবৰ্তে কিন্তু 'সময়'হে জমা ৰাখিব পাৰি। সেই কাৰণে সময় জমা ৰখাৰ সুবিধা থকা বেংকক 'টাইম বেংক' বোলা হয়।




টাইম বেংক ব্যৱস্থাত 'সময়' (time) হৈছে মুদ্ৰা। অন্য বেংকত যিদৰে মুদ্ৰা জমা থ'ব পাৰি আৰু সময় আৰু প্ৰয়োজনত সেই মুদ্ৰা উলিয়াই ল'ব পাৰি, ঠিক সেইদৰে টাইম বেংকত সময় জমা থ'ব পাৰি আৰু প্ৰয়োজন সাপেক্ষে সেই সময় উলিয়াই ল'ব পাৰি। টাইম বেংকৰ মূল বিষয়বস্তু হৈছে প্ৰদান (give) আৰু গ্ৰহণ (receive)। বিত্তীয় বেংকৰ ভাষাত সেয়া হৈছে জমা (deposit) আৰু উলিওৱা (withdraw)।

আজিৰ পৰা পঁয়ত্ৰিছ বছৰমান আগতে এড্‌গাৰ এছ. কান (Edgar S. Cahn) নামৰ ব্যক্তিগৰাকীৰ মনত টাইম বেংকৰ ধাৰণাটোৰ উদ্ভৱ হৈছিল। পৰৱৰ্তী সময়ত ছুইচ ফেডাৰেল মিনিষ্ট্ৰীয়ে বৃদ্ধ অৱস্থাত অকলশৰীয়া মানুহৰ বাবে সেৱা আগ বঢ়োৱাৰ বাবে টাইম বেংক সেৱাৰ ধাৰণাটো আগ বঢ়াই নিছিল। কোনো মানুহে ডেকা বয়সত, সকলো দিশৰ পৰা সক্ষম হৈ থকা অৱস্থাত বয়োজ্যেষ্ঠ লোকৰ প্ৰতি যদি কোনো সেৱা আগ বঢ়ায়, সেই সময়খিনি মানুহৰ টাইম বেংক একাউণ্টত জমা হৈ থাকে বা জমা কৰি ৰাখিব পাৰি। পিছলৈ বৃদ্ধ অৱস্থাত, বিপদৰ সময়ত প্ৰয়োজন হ'লে টাইম বেংকত জমা থোৱা সময়খিনি অন্য মানুহৰ জৰিয়তে সেই সময়ৰ সুবিধা ল'ব পাৰে। টাইম বেংকৰ সুবিধা আকৌ কেৱল বেংকৰ সদস্যসকলেহে ল'ব পাৰে। বৰ্তমান I TIMBA এপ'ৰ জৰিয়তে মানুহে টাইম বেংকত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰে।

আমাৰ দেশতো টাইম বেংকৰ সুবিধা আছে। 'টাইম বেংক অব্ ইণ্ডিয়া'ৰ জৰিয়তে মানুহে সময় বিনিয়োগ কৰি বয়োজ্যেষ্ঠ লোকলৈ শান্তিপূৰ্ণ, আনন্দদায়ক, সামাজিক জীৱন উপহাৰ হিচাপে আগ বঢ়াব পাৰে। ভাৰতৰ শীৰ্ষস্থানীয় টাইম বেংক হ'ল ৰাজস্থানৰ টাইম বেংক অব ইণ্ডিয়া। আমাৰ দেশৰ মধ্যপ্ৰদেশত পোনতে টাইম বেংকৰ কাম-কাজ আৰম্ভ হয়। মধ্যপ্ৰদেশবাসীয়ে "অবৈতনিক সেৱাৰ জৰিয়তে সময় উপাৰ্জন কৰা আৰু সেই একেটা পদ্ধতিৰ জৰিয়তে তোমাৰ সঞ্চিত সময় ঘূৰাই লোৱা" শ্ল'গানেৰে টাইম বেংকৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ চেষ্টা কৰিছিল।

টাইম বেংকত ফটো আৰু ভিডিঅ'ৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

টাইম বেংক এটা আৰম্ভ কৰাটো অতি ৰোমাঞ্চকৰ কাম। কিন্তু ইয়াৰ বাবে গভীৰ চিন্তা, পৰিকল্পনা, নিষ্ঠা আৰু কঠোৰ শ্ৰমৰ প্ৰয়োজন হয়।

দলীয় প্ৰচেষ্টা, দলীয় সহযোগিতাৰ জৰিয়তে টাইম বেংকক আগুৱাই লৈ যাব পৰা যায়। আমাৰ ৰাজ্য অসমতো এক নিষ্ঠাবান কৰ্মীৰ দলে টাইম বেংকৰ ধাৰণাৰ প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী হোৱাৰ প্ৰয়োজন নিশ্চয় আছে। ❖

## 'জেমছ ৱেব টেলিস্ক'প' শীৰ্ষক লেখাটোৰ লগত সম্পৰ্কিত ছবি



কেৰিনা নীহাৰিকা




WASP-96b



ছাউদাৰ্ন ৰিং নীহাৰিকা



ষ্টিফেন কুইণ্টেটত তৰাৰ জন্ম





SMAC 7327



কাৰ্টহুইল গেলেক্সি


# শিক্ষাৰ্থীয়ে অঁকা ছবি আৰু তোলা আলোকচিত্ৰ


পাৰ্থপ্ৰতিম পাঠক, অষ্টম ঘ


মানসজ্যোতি দাস, নৱম খ


কুণাল ভট্টাচাৰ্য্য, দশম ঘ


পৰিনীতা দাস, চতুৰ্থ ঘ


আফ্ৰিন ৰহমান, চতুৰ্থ ঘ


প্ৰিয়াংশু কুমাৰ দাস, চতুৰ্থ খ


এমিলী বৰগোহাঞি, চতুৰ্থ ঘ